সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৩৭ সংখ্যা, ২৯ ভাদ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 37 Date Of Publication - 15 September 2024 Rs.10.00/-

## ৰাজ্যজুৰি অনলাইন ট্ৰেডিঙেৰে প্ৰায় ১৪ হাজাৰ কোটি টকাৰ লুট

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যজুৰি ৰাইজে অনলাইন ট্ৰেডিং কেলেংকাৰিত হেৰুৱাবলগীয়া হৈছে প্ৰায় ১৪ হাজাৰ কোটি টকা। সম্প্ৰতি ৰাইজৰ মাজত শ্বেয়াৰ মাৰ্কেটত অনলাইন ট্ৰেডিং সহজলভ্য ধন ঘটাৰ এক অন্যতম মাধ্যম ৰূপে পৰিগণিত হৈছে। চৰকাৰী নিয়ম অনুসৰি অনলাইন ট্ৰেডিং বেআইনী নহয় যদিহে নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে ধন বিনিয়োগ কৰা হয়। কিন্তু একাংশ প্ৰৱঞ্চকে ৰাইজৰ অজ্ঞতাৰ সুযোগ লৈ অনলাইন ট্ৰেডিঙৰ নামত প্ৰৱঞ্চনাৰ এক বৃহৎ নেটৱৰ্ক গঢ়ি এই ধন আত্মসাৎ কৰিছে। বছৰ বছৰ ধৰি প্ৰৱঞ্চনাৰ এই নেটৱৰ্কটো অতি সুন্দৰকৈ চলি আছিল যদিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে ভুৱা অনলাইন ট্ৰেডিঙৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ পাছতে বৃহৎ এই জালিয়াতিৰ তথ্য পোহৰলৈ আহিছে। নিশাটোৰ ভিতৰতে এটকাক দুগুণ কৰি দিয়াৰ প্ৰলোভনেৰে চলাই অহা কেইবাটাও অনলাইন ট্ৰেডিং প্ৰৱঞ্চকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। কিছু মাহ পূৰ্বে 'বাইবিৱাই' নামৰ এটা অনলাইন ট্ৰেডিং এপৰ জৰিয়তে প্ৰৱঞ্চনাৰ এই নেটৱৰ্কটো আৰম্ভ হৈছিল যদিও আৰক্ষীয়ে তদন্তত বিশেষ



অগ্ৰগতি লভিবলৈ সক্ষম হোৱা নাছিল। কিন্তু শেহতীয়াকৈ অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ লোকৰ পৰা বিনিয়োগৰ নামত প্ৰায় ৭ হাজাৰ কোটি টকা আত্মসাৎ কৰি পলায়ন কৰা ডিবি ষ্টক ব্ৰকিঙৰ স্বত্বাধিকাৰ দীপাংকৰ বৰ্মনৰ লুণ্ঠনৰ তথ্য পোহৰলৈ অহাৰ পাছত ইটোৰ পিছত সিটো প্ৰৱঞ্চক আৰক্ষীৰ জালত পৰে। তাৰ পিছতে ডিব্ৰুগড়ত বিশাল ফুকন আৰু নৰ্তকী চুমি বৰাৰ মাধ্যমেৰে প্ৰায় ২, ২০০ কোটি টকা অনলাইন ট্ৰেডিঙৰ নামত আত্মসাৎ কৰাৰ ঘটনা পোহৰলৈ অহাৰ পাছত এটা এটাকৈ প্ৰৱঞ্চক আৰক্ষীৰ জালত পৰিবলৈ ধৰে। মন কৰিবলগীয়া যে গুৱাহাটী মহানগৰীৰ দীপাংকৰ বৰ্মনৰ বাদে স্বপ্নীল দাস নামৰ আন এজন যুৱকেও বিনিয়োগৰ নামত অধিক মুনাফা আদায় দিয়াৰ প্ৰতিশ্ৰুতিৰে শিৱসাগৰ-গুৱাহাটীকে ধৰি ভিন্ন প্ৰান্তৰ লোকৰ পৰা প্ৰায় এহাজাৰ কোটি টকা আত্মসাৎ কৰাৰ তথ্য পোহৰলৈ আহিছে। বাক্সাৰ মাইনাও ব্ৰহ্ম নামৰ এজনী পাণ-তামোলৰ দোকানীয়ে দীপাংকৰ

(দহ পৃষ্ঠাত চাওক)

## সোণাপুৰত 'আল্লা হু আকবৰ' ধ্বনি দি আৰক্ষীক আক্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- শান্তিপূৰ্ণভাৱে চলি থকা সোণাপুৰৰ কচুতলীৰ আৰক্ষী-প্ৰশাসনৰ উচ্ছেদৰ চতুৰ্থ দিনা বৃহস্পতিবাৰে হঠাতে ভয়ংকৰভাৱে হিংসাত্মক হৈ পৰিছিল। আৰক্ষী-প্ৰশাসনৰ শান্তিপূৰ্ণ উচ্ছেদ অভিযানক অবৈধ দখলকাৰীয়ে সুপৰিকল্পিতভাৱে হিংসাত্মক ৰূপ দি আৰক্ষীক সশস্ত্ৰ আক্ৰমণ কৰে। এক সূত্ৰই প্ৰকাশ কৰা মতে, বুধবাৰে নিশাই উচ্ছেদ অভিযানত জড়িত আক্ৰমণৰ ব্লুপ্ৰিন্ট ৰচনা হৈছিল। অভিযানকাৰী আৰক্ষীক শ'লঠেকত পেলাই ৰাজ্য চৰকাৰক বিব্ৰত কৰাৰ বাবেই এই ব্লুপ্ৰিন্ট ৰচনা কৰা হৈছিল। প্ৰকাশ পোৱা মতে এক অজ্ঞাত স্থানত হোৱা গোপন বৈঠকৰ সিদ্ধান্তমৰ্মেই কচুতলীৰ বেদখলকাৰীৰ একাংশ মাতব্বৰলৈ নিশাই আৰক্ষীক আক্ৰমণৰ বাৰ্তা প্ৰেৰণ কৰা হৈছিল। আনকি এই আক্ৰমণৰ বাবে নগদ ধন সংগ্ৰহ কৰাৰো ব্যৱস্থা কৰা হৈছিল। এই ব্লুপ্ৰিন্টমৰ্মেই বৃহস্পতিবাৰে সন্দেহযুক্ত বাংলাদেশী বেদখলকাৰীয়ে উচ্ছেদ চলাবলৈ যোৱা আৰক্ষীক যাঠী-জোং, লাঠী, শিলগুটিৰে আক্ৰমণ কৰে। উল্লেখ্য যে উচ্ছেদ অভিযান চলোৱা আৰক্ষীক 'আল্লা হু আকবৰ' ধ্বনি দি তিনি ফালৰ পৰা হাজাৰ হাজাৰ বেদখলকাৰীয়ে আক্ৰমণ কৰে। আক্ৰমণকাৰীসকলৰ আক্ৰমণ ইমানেই সংঘবদ্ধ আৰু পৰিকল্পিত আছিল যে আৰক্ষীয়ে তৰ্কিব পৰাৰ আগতেই সেই আক্ৰমণত আৰক্ষীৰ শীৰ্ষ বিষয়াসহ কেইবাজনো আৰক্ষী আহত হয়। উল্লেখ্য যে এক নং কচুতলী আৰু সোণাপুৰ পথাৰত একাংশ লোকে চৰকাৰী ভূমি, সংৰক্ষিত চৰণীয়া পথাৰ আৰু জনজাতীয় আবেষ্টনীৰ ভূমিত একাংশ সন্দেহজনক লোকে বেদখল কৰি বসবাস কৰি আছিল। এই বিষয়টোৱে অঞ্চলটোৰ সচেতন লোকসকলক চিন্তিত কৰিছিল। আৰু ইয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক দাবী জনাইছিল। তাৰ পিছতে বিগত চাৰি দিন ধৰি অঞ্চলটোত উচ্ছেদ কাৰ্য চলায় জিলা প্ৰশাসনে। উচ্ছেদিত সময়ত কোনো অপ্ৰীতিকৰ ঘটনা হোৱা নাছিল। ১৪৮ বিঘা চৰকাৰী ভূমি

(দহ পৃষ্ঠাত চাওক)

## অহা ১৯ ছেপ্টেম্বৰত নতুনকৈ ১৭ লাখ লোকক প্ৰদান কৰা হ'ব ৰেচন কাৰ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- অহা ১৯ ছেপ্টেম্বৰত অসমত অৰুণোদয় ৩.০ৰ শুভাৰম্ভ কৰাৰ লগতে নতুনকৈ ১৭ লাখ লোকক - ৰেচন কাৰ্ড প্ৰদানৰ শুভাৰম্ভ অনুষ্ঠান অনুষ্ঠিত হ'ব। অৰুণোদয় ৩.০ৰ অধীনত ৰাজ্যখনত নতুনকৈ ১২ লাখ ৬০ হাজাৰ লোকক অৰুণোদয়ৰ সুবিধা দিয়া হ'ব। ৰাজ্যখনৰ ১২৬টা বিধানসভা সমষ্টিতে এই অনুষ্ঠান সেইদিনা মন্ত্ৰী-বিধায়ক-সাংসদসকলৰ উপস্থিতিত অনুষ্ঠিত হ'ব। গুৱাহাটীত কেন্দ্ৰীয়ভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদ মেলৰ জৰিয়তে চৰকাৰৰ এই ধ্বজাবাহী আঁচনি দুখনৰ পৰিসৰ বৃদ্ধিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অৰুণোদয় ৩.০ৰ হিতাধিকাৰীসকলক যাতে অহা ১০ জানুৱাৰীৰ পৰা সুবিধা প্ৰদান কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। এই সম্পৰ্কত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিছপুৰস্থিত লোকসেৱা ভৱনৰ সভাকক্ষত ৰাজ্যৰ মন্ত্ৰী পৰিষদ, সাংসদ, বিধায়ক তথা জিলা আয়ুক্তসকলৰ সৈতে

(দহ পৃষ্ঠাত চাওক)

# বৰ্ষীয়ান নেতা সীতাৰাম য়েচুৰীৰ দেহাৱসান

ৰঙিলী বাৰ্তাসেৱা- ৭২ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে চি পি আই (এম)ৰ বৰ্ষীয়ান নেতা তথা দলটোৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীয়ে। হাঁওফাঁওত সংক্ৰমণৰ ফলত শ্বাস-প্ৰশাসত জটিলতাৰ বাবে নতুন দিল্লীৰ এইমছত ভৰ্তি হোৱা বাঁওপন্থী নেতা সীতাৰাম য়েচুৰীক যোৱা ১০ ছেপ্টেম্বৰত স্বাস্থ্যৰ অধিক অৱনতি ঘটাত আইচিইউত ভৰ্তি কৰোৱা হয়। আইচিইউত চিকিৎসা চলি থকাৰ মাজতে য়েচুৰীৰ মৃত্যু হয়। ভাৰতীয় বাঁওপন্থী ৰাজনীতিৰ এজন দক্ষ ৰাজনীতিক হিচাপে পৰিচিত আৰু ব্যক্তিত্বসম্পন্ন সীতাৰাম য়েচুৰীৰ বিয়োগত দেশৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ নেতাসকলে গভীৰ শোক প্ৰকাশ কৰে। ১৯৫২ চনৰ ১২ আগষ্টত চেন্নাইত জন্ম গ্ৰহণ কৰা য়েচুৰীয়ে স্নাতক পৰ্যায়ত দিল্লী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰে আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ (JNU) পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত বাঁওপন্থী ৰাজনীতিৰ ঘাটি হিচাপে পৰিণত কৰাত অগ্ৰণী ভূমিকা আছে সীতাৰাম য়েচুৰীৰ। বাঁওপন্থী নেত্ৰী প্ৰকাশ কাৰাটৰ সৈতে মিলিত হৈ জে এন ইউত বাঁওপন্থী ৰাজনীতিৰ ঘাটি হিচাপে ৰূপান্তৰিত কৰা সীতাৰাম য়েচুৰীয়ে পৰৱৰ্তী সময়ত সক্ৰিয় ৰাজনীতিলৈ আহে। প্ৰকাশ কাৰাটৰ পাছত চিপিএমৰ সাধাৰণ সম্পাদক হিচাপে ২০১৫ চনত দায়িত্ব গ্ৰহণ কৰা সীতাৰাম য়েচুৰীয়ে ১৯৯৬-৯৭ চনত ভি



পি সিঙৰ নেতৃত্বত নেচনেল ফ্ৰন্ট চৰকাৰ গঠন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। চিপিআই (এম)-এ বাহিৰৰ পৰা সমৰ্থন দি এই চৰকাৰ গঠনত গ্ৰহণ কৰা ভূমিকাত সীতাৰাম য়েচুৰীৰ গুৰুত্বপূৰ্ণ অবদান আছে। দলৰ নীতি নিৰ্ধাৰণত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা য়েচুৰীয়ে ২০২৩ চনত ইণ্ডিজোঁট গঠনৰ ক্ষেত্ৰতো সক্ৰিয় ভূমিকা লৈছিল। ভাৰতীয় ৰাজনীতিৰ অন্যতম মহান নেতা সীতাৰাম য়েচুৰীয়ে ৰাজ্যসভাৰ সাংসদ হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। ৰাজনীতিক সীতাৰাম য়েচুৰীয়ে বাঁওপন্থী ৰাজনীতি সন্দৰ্ভত কেইবাখনো গ্ৰন্থ ৰচনা কৰাৰ লগতে অনুবাদেৰেও সাহিত্য জগতত বৰঙনি আগবঢ়াইছে। প্ৰবীণ বাঁওপন্থী নেতা সীতাৰাম য়েচুৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে য়েচুৰীক এগৰাকী বিদ্বান আৰু স্পষ্টবাদী নেতা বুলি অভিহিত কৰে। সামাজিক ন্যায় আৰু ৰাজহুৱা সেৱাৰ ক্ষেত্ৰখনলৈ প্ৰধান ৰাজনীতিবিদগৰাকীয়ে আগবঢ়োৱা অৱদানৰো শলাগ লয় মুখ্যমন্ত্ৰীগৰাকীয়ে। প্ৰয়াত য়েচুৰীৰ পৰিয়ালবৰ্গলৈও ড° হিমন্ত বিশ্ব শৰ্মাই সমবেদনা জ্ঞাপন কৰে।

# আছুৰ সাধাৰণ সম্পাদক পদৰ পৰা অব্যাহতি ল'লে শংকৰজ্যোতি বৰুৱাই



ৰঙিলী বাৰ্তাসেৱা- অৱশেষত আছুৰ সাধাৰণ সম্পাদক পদৰ পৰা অব্যাহতি ল'লে শংকৰজ্যোতি বৰুৱাই। আছুৰ সভাপতিলৈ পত্ৰ প্ৰেৰণ কৰি এই অব্যাহতি গ্ৰহণ কৰিলে শংকৰজ্যোতিয়ে। ১২ ছেপ্তেম্বৰ ২০২৪ৰ পৰাই কাৰ্যকৰী হোৱাকৈ এই অব্যাহতি গ্ৰহণ কৰিলে আছুৰ সাধাৰণ সম্পাদকগৰাকীয়ে। বৃহস্পতিবাৰে সামাজিক মাধ্যমযোগে অব্যাহতি গ্ৰহণ কৰাৰ কথা সদৰী কৰিছে প্ৰেম-প্ৰতাৰণাৰ বিতৰ্কত সাঙোৰ খাই পৰা সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকগৰাকীয়ে । উল্লেখ কৰা প্ৰয়োজন যে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আছু গোটৰ এগৰাকী সক্ৰিয় সদস্যাই শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে উত্থাপন কৰিছিল কেবাটাও গুৰুতৰ অভিযোগ। পিছৰ পৰ্যায়ত এজাহাৰ দাখিল কৰাৰ পাছত শংকৰজ্যোতিয়ে ছাত্ৰীগৰাকীৰ সৈতে সম্পৰ্ক থকাৰ কথা স্বীকাৰ কৰিছিল। নিজ মুখে এই সম্পৰ্কৰ কথা স্বীকাৰ কৰাৰ পাছতে আছুৰ কেন্দ্ৰীয় নেতৃত্বই শংকৰজ্যোতি আছুৰ সাধাৰণ সম্পাদক পদবীৰ পৰা অব্যাহতি লোৱাৰ পৰামৰ্শ প্ৰদান কৰিছিল। যোৱা সোমবাৰে আছুৰ মুখ্য উপদেষ্টা আৰু সভাপতিৰ সৈতে শংকৰজ্যোতি বৰুৱা এক আলোচনাত বহিছিল। এই আলোচনাতে এই পৰামৰ্শ প্ৰদান কৰিছিল শংকৰজ্যোতিক। আছুৰ নেতৃত্বই প্ৰদান কৰা এই পৰামৰ্শ গ্ৰহণ কৰিয়ে শংকৰজ্যোতিয়ে অৱশেষত সাধাৰণ সম্পাদক পদবীৰ পৰা অব্যাহতি গ্ৰহণ কৰিলে।

# শুৱালকুছিত মনোৰঞ্জন দাসৰ নেতৃত্বত তিনি শতাধিকৰ বিজেপিত যোগদান





ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় জনতা যুৱ মৰ্চা উত্তৰ কামৰূপৰ উদ্যোগত, শুৱালকুছি মণ্ডলৰ সহযোগত বংশৰ-শুৱালকুছি মূল প্ৰৱেশ দ্বাৰৰ সমীপত থকা প্ৰেক্ষাগৃহত প্ৰাক্তন ছাত্ৰনেতা মনোৰঞ্জন দাসৰ নেতৃত্বত প্ৰাক্তন ছাত্ৰ-সন্থাৰ নেতাকৰ্মী, অজাপকে ধৰি বিভিন্ন দল- সংগঠনৰ বিষয়ববীয়াই বিজেপিৰ যোগদান কৰে। যোগদান কাৰ্য্যসূচীত উপস্থিত থাকে, বিজেপি ৰাজ্যিক কৃষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য্য, ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাস, বিজেপিৰ কেন্দ্ৰীয় সম্পাদক দিপুৰঞ্জন শৰ্মাৰ, শুৱালকুছি মণ্ডলৰ সভাপতি ধীৰাজ মহন্ত, জনতা যুৱ মৰ্চাৰ উত্তৰ কামৰূপৰ সভাপতি সুৱল পাল প্ৰমুখ্যে ভাৰতীয় জনতা পাৰ্টিৰ সহস্ৰাধিক নেতাকৰ্মী উপস্থিত থাকে।

# কিশোৰ কলিতাৰ তথ্যচিত্ৰ 'লেটাৰ্ছ ফ্ৰম ভিয়েটনাম' মেক্স ছাৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ লৈ নিৰ্বাচিত

ৰঙিলী বাৰ্তাসেৱা- ভাৰতৰ ৫২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ভাৰতীয় পেনোৰামালৈ আনুষ্ঠানিক বাছনিকে ধৰি বিভিন্ন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত কেইবাটাও বঁটা আৰু সন্মান লাভ কৰা তথ্যচিত্ৰ 'বীৰাঙ্গনা'ৰ জৰিয়তে সমালোচকৰ প্ৰশংসা লাভ কৰাৰ পিছত, গুৱাহাটীস্থিত তথ্যচিত্ৰ নিৰ্মাতা কিশোৰ কলিতাই এতিয়া তেওঁৰ নতুন তথ্যচিত্ৰ প্ৰকল্পৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। দক্ষিণ-পূব এছিয়াত অৱস্থিত ভিয়েটনামলৈ কলিতাৰ স্মৰণীয় যাত্ৰাৰ কাহিনীৰ লগতে এক অনন্য অন্তৰ্দৃষ্টিৰ ওপৰত আধাৰিত 'লেটাৰ্ছ ফ্ৰম ভিয়েটনাম' শীৰ্ষক এই তথ্যচিত্ৰখনে কোষ্টা ৰিকাত অনুষ্ঠিত হ'বলগীয়া মেক্স ছাৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ ২০২৪-ত আনুষ্ঠানিকভাৱে বাছনি কৰা হৈছে। বছৰি অনুষ্ঠিত হোৱা এই উৎসৱত মূলতঃ প্ৰকৃতি-কেন্দ্ৰিত তথ্যচিত্ৰ আৰু চুটি ছবি প্ৰদৰ্শন কৰা হয়। ইয়াৰ পূৰ্বে, তথ্যচিত্ৰখনে ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চুটি চলচ্চিত্ৰ মহোৎসৱৰ বঁটালৈ আনুষ্ঠানিক নিৰ্বাচন লাভ কৰিছিল। কিশোৰ কলিতাৰ বাবে, দক্ষিণ-পূব এছিয়াৰ অতি মনোমোহা আৰু আকৰ্ষণীয় ঠাই ভিয়েটনাম ভ্ৰমণ কৰাটো সঁচাকৈয়ে এক স্মৰণীয় অভিজ্ঞতা আছিল। এই ভ্ৰমণে তেওঁক ভিয়েটনামৰ জীৱন আৰু সংস্কৃতি, ইয়াৰ আকৰ্ষণীয় দৃশ্যপট, ঐতিহাসিক চিহ্ন আৰু প্ৰাণৱন্ত একাধিক সংস্কৃতিৰ ওপৰত কিছু আকৰ্ষণীয় অন্তৰ্দৃষ্টি লাভ কৰিবলৈ

( তিনিপৃষ্ঠাত চাওক)



# ডিব্ৰুগড়তে লুকাই থাকি ১১ দিনৰ মূৰত আত্মসমৰ্পণ চুমি বৰা আৰু তাৰ্কিকৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ বিলাসী হোটেলত আৰক্ষীৰ ছত্ৰছায়াতে সময় অতিবাহিত কৰিছিল নেকি চুমি বৰা আৰু- তাৰ্কিকে। ডিব্ৰুগড়ৰ অভিজাত জিমখানাত কেনেকৈ সময় কটাবলৈ সুবিধা পালে চুমি বৰা আৰু তাৰ্কিকে? অত্যাধুনিক বাথটাব, বিলাসী সা-সুবিধাৰে পৰিপূৰ্ণ আছিল ডিব্ৰুগড়ৰ জিমখানাৰ ২১ নম্বৰ কোঠাটো। জিমখানাতে আৰক্ষীৰ সম্পূৰ্ণ নিৰাপত্তা লাভ কৰিছিল চুমি-তাৰ্কিক বুলি অভিযোগ উত্থাপন হৈছে। পুৱা এই হোটেলৰ কোঠাতে গ্ৰহণ কৰিছিল ব্ৰেকফাষ্ট। পুৱা ৫ বজাৰ পৰা ৮ বজালৈ এইখন হোটেলতে ৰখা হৈছিল চুমি তাৰ্কিকক সেয়া হোটেলৰ ভিতৰৰ দৃশ্য সাংবাদিকৰ কেমেৰাত আবদ্ধ।




অত্যাধুনিক আৰামযুক্ত বিচনাত বিশ্ৰাম লৈছিল চুমি তাৰ্কিকে।এই সময় চোৰাত চুমি-তাৰ্কিকে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন হোৱা নাছিল।ৰাইজৰ অভিযোগ যে ডিব্ৰুগড় আৰক্ষীয়ে 'ইম্পেৰিয়েল গেষ্ট' হিচাপে সকলো সুবিধা কৰি দিছিল নেকি এইখন বিলাসী হোটেলত। গা ধোৱাৰ পৰা ব্ৰেকফাষ্ট কৰালৈকে কোনে ৰাজ আতিথ্য প্ৰদান কৰিছিল দুয়োজনকে বুলি অভিযোগ উত্থাপিত হৈছে। জিমখানা ক্লাবত চুমি আৰু তাৰ্কিকক ৰখা হৈছিল যদিও হোটেলৰ ৰেজিষ্টাৰ বহীত নাম আদি সম্পূৰ্ণ পূৰণ নকৰাৰ সিদ্ধান্ত কাৰ আছিল বুলি ৰাইজৰ অভিযোগ। আৰক্ষীৰ এই কাণ্ডৰ পিছতে এতিয়া ৰাইজৰ মনত বহুতো প্ৰশ্ন উত্থাপন হৈছে। চুমি-তাৰ্কিকে বাৰে বাৰে কৈ আহিছে যে তেওঁলোকে পলোৱা নাছিল লুকাই আছিল, গতিকে সেয়া সত্য। বিগত ১১ টা দিনে ন লুকাই লুকাই ভাগৰি পৰিছিল আৰু অৱশেষত ডিব্ৰুগড় সদৰ থানাত আৰক্ষীৰ সন্মুখতেই চুমি-তাৰ্কিকে ১১ চেপ্টেম্বৰ পুৱা আত্মসমৰ্পণ কৰে। লুকাই থকা চুমি বৰাই সংবাদ মাধ্যমৰ আগত ওলাই আহি নিজৰ আত্মপক্ষ সমৰ্থনৰ দুখবোৰৰ কথা কয় আৰু সংবাদ মাধ্যমকে জগৰীয়া কৰে। চুমি-তাৰ্কিকৰ আত্মবিশ্বাস যে তেওঁলোকে কোনোধৰণৰ অপৰাধ কৰা নাই বুলিও সাংবাদিকক জনায়। চুমি বৰাই ৰাইজক জনায় যে মই "পলাই থকা নাই লুকাইহে আছিলোঁ"। প্ৰায় ১০ দিন লুকাই আছিলে তাৰ্কিক আৰু চুমি বৰা। সাংবাদিকৰ প্ৰশ্ন আপোনালোক কাৰ বাবে লুকাই আছিল? আপুনিয়ে কৈছে মই কোনো অপৰাধ কৰা নাই

*(দহ পৃষ্ঠাত চাওক)*

# মহিলা আৰু শিশু বিকাশ বিভাগ, সংকল্পঃ জিলা মহিলা সবলীকৰণ মাজুলী উদ্যোগত সামৰ্থ বিকাশ কাৰ্যসূচী




ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলীৰ মটিয়াবাৰীস্থিত সপ্তৰ্ষী গুৰুকুলত মহিলা আৰু শিশু বিকাশ বিভাগ, সংকল্প : জিলা মহিলা সবলীকৰণ মাজুলী উদ্যোগত সামৰ্থ বিকাশ কাৰ্যসূচী এক পদক্ষেপ হিচাপে মহিলা ঋতুস্ৰাৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ব্যৱস্থাপনা আৰু স্বাস্থ্য ব্যৱস্থাপনা আৰু চেনিটেৰী নেপকিন বিতৰণৰ ওপৰত এক কাৰ্যসূচী অনুষ্ঠিত হয়। সভাখনত বিদ্যালয়খনৰ ছাত্ৰী সকলক উদ্দেশ্যি জিলা মিছন সমন্বয়ক, সংকল্পঃ জিলা মহিলা সবলীকৰণ কেন্দ্ৰ, মহিলা আৰু শিশু বিকাশ বিভাগৰ কুকি বৰুৱাই ঋতুস্ৰাৱৰ সময়ত ল'ব লগা সাৱধানতা আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা ওপৰত এক সজাগতা মূলক বক্তব্য আগবঢ়ায় ।অনুষ্ঠানটিত উপস্থিত থাকে সপ্তৰ্ষি বিদ্যা মন্দিৰৰ অধ্যক্ষকে ধৰি বিদ্যালয়খনিৰ শিক্ষক শিক্ষয়িত্ৰী সকল, সংকল্প: জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ বিষয়া সকল ।

# শুই থকা অৱস্থাত জলসম্পদ বিভাগৰ কৰ্মচাৰীক হত্যা



ৰঙিলী বাৰ্ত্তাসেৱা- চাবুৱাত সংঘটিত হৈছে এক নৃশংস হত্যাকাণ্ড। সোমবাৰে নিশা ঘৰৰ চৌহদতে চোকা অস্ত্ৰৰে আক্ৰমণ কৰে জলসম্পদ বিভাগৰ কৰ্মচাৰীক মাধুৰ্য বৰুৱাক। সোমবাৰে নিশা প্ৰায় ডেৰ মান বজাত চাবুৱাৰ জেৰাই গাঁৱৰ নিবাসী মাধুৰ্য বৰুৱাক চাৰিজনীয়া দুৰ্বৃত্তই অতি নিৰ্মমভাৱে ঘৰৰ ভিতৰতে হত্যা কৰে। উল্লেখযোগ্য যে ঘৰত শুই থকা অৱস্থাতে কোনো অচিনাক্ত দুৰ্বৃত্তই মাধুৰ্যক শুৱাপাটিৰ পৰা জগাই চোকা অস্ত্ৰৰে আঘাত কৰি অতি নিৰ্মমভাৱে হত্যা কৰে বুলি স্থানীয় লোকে জনায় ।জানিব পৰা মতে দুৰ্বৃত্তৰ আক্ৰমণত মৃত্যু হোৱা মাধুৰ্য বৰুৱা ডিব্ৰুগড়স্থিত জলসম্পদ বিভাগৰ মাগুলিক কাৰ্যালয়ৰ অধীনস্থ এগৰাকী কৰ্মচাৰী আছিল। ইতিমধ্যে নিশাই চাবুৱা আৰক্ষী উপস্থিত হৈছে যদিও পুৱা ৭বজাত দণ্ডাধীশ উপস্থিত হয়। আৰক্ষীৰ প্ৰাৰম্ভিক তদন্তত এইপৰ্যন্ত কোনো ধৰণৰ তথ্য পোহৰলৈ অহা নাই। ঘটনাস্থলীলৈ বিশেষ তদন্তকাৰী দল আহি সকলো দিশ তন্ন তন্নকৈ পৰীক্ষা কৰিছে ।এই হত্যাকাণ্ডক লৈ সমগ্ৰ চাবুৱাৰ লগতে জেৰাই গাঁৱৰ স্থানীয় লোকৰ মাজত চাঞ্চল্যৰ সৃষ্টি হৈছে ।

# জুবলী ফাউণ্ডেচনৰ উদ্যোগত মৃতকৰ অংগদান কৰ্মশালা

ৰঙিলী বাৰ্ত্তাসেৱা- নৰ্থ ইষ্টাৰ্ণ ডেভেলপমেণ্ট ফাইনেন্স কৰ্পৰেশ্যন লিমিটেডৰ সহযোগত জুবলী ফাউণ্ডেচনে যোৱা ৫ আৰু ৬ ছেপ্টেম্বৰত মৃতকৰ অংগদানৰ ওপৰত ধাৰাবাহিক কৰ্মশালা অনুষ্ঠিত কৰে। এই প্ৰকল্পৰ বৰদান (VARDAAN) দ্বিতীয় অধ্যায় মণিপুৰৰ ইম্ফল আৰু কাকচিং জিলাত অনুষ্ঠিত হয়। এই কৰ্মশালাই অংগদান সজাগতাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ অগ্ৰগতি চিহ্নিত কৰে। নেডফিৰ (NEDFi)ৰ কৰ্পৰেট সামাজিক দায়বদ্ধতা (CSR) পদক্ষেপ প্ৰকল্প VARDAAN সমগ্ৰ উত্তৰ-পূৱ



ভাৰতত মৃতকৰ অংগদানৰ সজাগতা বৃদ্ধিৰ বাবে উৎসৰ্গিত। এই প্ৰকল্পৰ দ্বিতীয় অধ্যায়ত নিম্ন স্তৰৰ সজাগতা আৰু গ্ৰহণযোগ্যতা থকা অঞ্চলসমূহত প্ৰসাৰ আৰু শিক্ষা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। জুবলী ফাউণ্ডেশ্যনৰ দলটোৱে পৰিচালনা কৰা এই কৰ্মশালাত

*(দহ পৃষ্ঠাত চাওক)*

# কিশোৰ কলিতাৰ

সক্ষম কৰিছিল, যিবোৰ 'লেটাৰছ ফ্ৰম ভিয়েটনাম'ত স্বতঃস্ফূৰ্তভাৱে বন্দী কৰা হৈছে। ভিয়েটনামৰ বিভিন্ন মঠ-মন্দিৰ, আধ্যাত্মিক স্থান আৰু প্ৰাসাদে অঞ্চলটোৰ ঐতিহাসিক উত্তৰাধিকাৰী, সাংস্কৃতিক আৰু আধ্যাত্মিক পৰম্পৰা আৰু কলাত্মক উৎকৰ্ষতাৰ জীৱন্ত প্ৰমাণ হিচাপে কাম কৰে। "ভিয়েটনামৰ কেইবাটাও আকৰ্ষণীয় ঠাই ভ্ৰমণ কৰা আৰু একে সময়তে সেইবোৰৰ চিত্ৰগ্ৰহণ কৰাটো মোৰ বাবে এক আধ্যাত্মিকভাৱে গতিশীল অভিজ্ঞতা আছিল," কলিতাই কয়। 'লেটাৰ্ছ ফ্ৰম ভিয়েটনাম'ৰ প্ৰযোজনা আৰু পৰিচালনা কৰাৰ উপৰিও, কিশোৰ কলিতাই কেমেৰাৰ কামো কৰিছে। বিপুল ৰাজৰ দ্বাৰা সম্পাদিত আৰু প্ৰসূন মুখোপাধ্যায়ৰ দ্বাৰা সংগীতৰ ডিজাইন কৰা, তথ্যচিত্ৰখনৰ সংগীত পৰিচালনা সৌম্যৰিত নাগৰ, আৰু ধাৰা বিৱৰণী হংসৰাজ বৰপাত্ৰগোহাঁইৰ।

# মঙ্গলদৈ মিডিয়া চাৰ্কোলৰ ১৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




ৰঙিলী বাৰ্তাসেৱা- মঙলদৈ মিডিয়া চাৰ্কোলৰ ১৭ সংখ্যক প্ৰতিষ্ঠা দিৱসটি ৯ ছেপ্টেম্বৰ তাৰিখে মঙলদৈ সনাতন ধৰ্মসভাৰ প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। এই উপলক্ষে বিয়লি ৩, ৪৫ বজাত মিডিয়া চাৰ্কোলৰ প্ৰতিষ্ঠাপক সভাপতি দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ প্ৰতিচ্ছবিৰ সন্মুখত সহধৰ্মিণী অৰ্পনা কোঁৱৰে মাল্যাৰ্পণ কৰে। সম্পাদক ময়ুখ গোস্বামীয়ে আদৰণি ভাষণ আগবঢ়োৱা এই সভাখন দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মানস দাসে উদ্বোধন কৰে। উদ্বোধনী ভাষণত তেওঁ মঙলদৈ মিডিয়া চাৰ্কোলৰ সদস্য সকলে অকল দৰং জিলাতেই নহয়, অসমৰ বিভিন্ন ঠাইত বিশেষকৈ ইতিবাচক বাতৰিৰ সন্ধান কৰি সেই বাতৰিৰ সুবাস আমাক দি কৃতাৰ্থ কৰি আহিছে। তেওঁ লগতে সাংবাদিক সকলে আবেগক প্ৰাধান্য নিদি সত্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। সভাত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই সাংবাদিক সকল মন্ত্ৰী, বিধায়ক, আমোলৰ ওচৰত দায়বদ্ধ নহৈ ৰাইজৰ ওচৰত দায়বদ্ধ হৈ বাতৰি পৰিৱেশন কৰিলে ৰাইজৰ আস্থা আৰু বিশ্বাসভাজন হৈ থাকিব বুলি কয়। এই সভাত মঙলদৈৰ সন্তান তথা এইবাৰ পেৰিচ অলিম্পিকত অফিচিয়েল ফটো সাংবাদিক হিচাপে যোগদান কৰা হিন্দু কাকতৰ জ্যেষ্ঠ ফটো সাংবাদিক ঋতুৰাজ কোঁৱৰক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধিত ঋতুৰাজ কোঁৱৰে ফটো সাংবাদিকতাত লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ কথা ব্যক্ত কৰে। সভাত বিধায়ক বসন্ত দাসে মঙলদৈ মিডিয়া চাৰ্কোলৰ ভৱন নিৰ্মাণৰ বাবে দহ লাখ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। তেওঁ লগতে সংবাদ প্ৰতিষ্ঠানৰ মালিক পক্ষই মফচলীয় সাংবাদিক সকলক শোষণ বঞ্চনা কৰি আহিছে বুলি উল্লেখ কৰি কয়, সাংবাদিক সকলৰো পৰিয়াল আছে, পেট আছে; সেয়া মালিক পক্ষৰ লগতে চৰকাৰেও সাংবাদিকৰ সমস্যাৰ কথা অনুভৱ কৰা উচিত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী, কলাইগাঁৱৰ পঞ্চমী সৰকাৰে কবিতা আবৃত্তি কৰা এই সভাত বিশিষ্ট লেখক, সমালোচক, সাংবাদিক অংকুৰ ডেকাই স্মৰণিকা উন্মোচন কৰি কয় যে, সংবাদ মাধ্যম এতিয়া যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। চ'ছিয়েল মিডিয়াই বিশেষকৈ ছপা মাধ্যমৰ যথেষ্ট ক্ষতিগ্ৰস্ত কৰিছে। গতিকে ছপা মাধ্যমে নতুন দৃষ্টিভংগীৰে বাতৰি পৰিৱেশন কৰাৰ সময় আহি পৰিছে। তেওঁ লগতে সংবাদ এক পবিত্ৰ মাধ্যম, ইয়াক কলুষিত নকৰিব বুলি সকলোকে আহ্বান *(দহ পৃষ্ঠাত চাওক)*

# স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে গোলাঘাট, নগাঁও যোৰহাটত 'আপ'ৰ বিক্ষোভ



ৰঙিলী বাৰ্তাসেৱা- এপিডিচিএলৰ প্ৰিপেইড স্মাৰ্ট মিটাৰৰ জৰিয়তে লুণ্ঠনৰ বিৰুদ্ধে স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে গোলাঘাট, নগাঁও যোৰহাটত 'আপ'ৰ বিক্ষোভ আম আদমী পাৰ্টিয়ে ৰাজ্যৰ কেইবাখনো জিলাত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। গোলাঘাট চহৰত আপৰ বিক্ষোভ কাৰ্যসূচীৰ নেতৃত্ব দিয়ে দলৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যিক ৱৰ্কিং কমিটীৰ সদস্য ৰাজীৱ শইকীয়াই । প্ৰতিবাদকাৰী সকলে অসম চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে শ্লোগান দিয়াৰ উপৰি শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচাৰ পুত্তলিকা দাহ কৰে। বিজেপি চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘনিষ্ঠ ব্যৱসায়ী গৌতম আদানিৰ মুনাফাৰ স্বাৰ্থত অসমবাসীৰ ওপৰত প্ৰিপেইড স্মাৰ্ট মিটাৰৰ বোজা জাপি দিয়া বুলি অভিযোগ উত্থাপন কৰে আপৰ নেতা ৰাজীৱ শইকীয়াই। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচাক এই জনবিৰোধী নীতি অবিলম্বে প্ৰত্যাহাৰ কৰিবলৈ আপৰ কৰ্মকৰ্তা সকলে দাবী জনায়। যোৰহাট চহৰতো আম আদমী পাৰ্টিৰ জিলা পৰ্যায়ৰ কৰ্মকৰ্তা সকলে এপিডিচিএলৰ স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। ইপিনে, নগাঁৱত আপৰ জিলা কমিটীৰ প্ৰাক্তন সভাপতি যুগান্তৰ বৰা আৰু ৰাজ্যিক মহিলা ৱৰ্কিং কমিটীৰ আহ্বায়ক চুমি বৰাৰ নেতৃত্বত বহুসংখ্যক দলীয় কৰ্মীয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এপিডিচিএলৰ জনবিৰোধী নীতি বাতিল কৰক, স্মাৰ্ট মিটাৰৰ স্মাৰ্ট ডকাইতি বন্ধ কৰক, আদানি মিটাৰ নচলিব, শক্তি মন্ত্ৰী হায় হায় আদি শ্লোগান দি আপৰ কৰ্মী সকলে বিক্ষোভ প্ৰদৰ্শন কৰে। জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত এপিডিচিএলক পূৰ্বৰ ব্যৱস্থা বাহাল ৰাখিবলৈ তেওঁলোকে দাবী জনায়।

# চি পি আই(এম), কামৰূপ মহানগৰ জিলা সমিতিৰ বিক্ষোপ





ৰঙিলী বাৰ্তাসেৱা- মেঘদুত ভৱনৰ সন্মুখত চি পি আই (এম)ৰ কামৰূপ মহানগৰ জিলা সমিতিয়ে, স্মাৰ্ট মিটাৰ, কৃত্ৰিম বানপানীৰ সমস্যা, খোৱা পানী যোগান, মহানগৰৰ দুৰ্গম বাট পথ মেৰামতি, নিৰ্মাণ আৰু বিভিন্ন বয় বস্তুৰ দাম বৃদ্ধিৰ বিৰুদ্ধে এক বিক্ষোভ প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ন কৰে। তেওঁলোকে বিভিন্ন শ্লোগানেৰে হাতে হাতে বেনাৰ, দলীয় পতাকা আদি লৈ স্মাৰ্ট মিটাৰ বন্ধ কৰক, কৃত্ৰিম বানপানী ৰোধ কৰক, বিজেপি চৰকাৰ গো বেক্ আদি শ্লোগান দি, পৰিৱেশ উত্তল কৰে। বিজেপি চৰকাৰৰ দিনত নাৰী ধৰ্ষণ-নিৰ্যাতনৰ ঘটনা দৈনিক বৃদ্ধি পাবলৈ ধৰা, স্মাৰ্ট মিটাৰৰ নামত মহা লুণ্ঠন, আদি বিষয়ত কেবা গৰাকী বক্তাৰ ভাষণ দিয়ে। তেওঁলোকে এইবোৰ বিষয়ত পানবজাৰ থানাৰ উপ পৰিদৰ্শকৰ হাতত অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে। উক্ত কাৰ্য্যসূচীত কামৰূপ মহানগৰ জিলাৰ মটৰ শ্ৰমিক সন্থাৰ সম্পাদক বীৰেন শৰ্মা, চিটুৰ ৰাজ্যিক সম্পাদক তপন শৰ্মা, জে চি টি ইউৰ সম্পাদক ভবেন কলিতা, জ্যেষ্ঠ কৰ্মী টিকেন দাস, সতঞ্জিত দাস, ভোলা শৰ্মা, পৰিমল দাস, চি পি আই এমৰ প্ৰচাৰ সম্পাদক নিৰংকুশ নাথ, কিষান মৰ্চাৰ মুছাদ্দৰ হুছেইন, নিখিল ভাৰত মহিলা সমিতিৰ উপ সভানেত্ৰী সীমা বিশ্বাস, সম্পাদিকা নিয়তি বৰ্মণ, ৰীতা দত্ত অধিকাৰী সহ প্ৰায় ৭৫ জন সদস্যই অংশগ্ৰহণ কৰে। উল্লেখ কৰিব পাৰি যে নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিয়ে সুকীয়াকৈ বিক্ষোভ কাৰ্য্যসূচী কৰাৰ কথা আছিল যদিও তাক নাকচ কৰি, চি পি আই (এম)ৰ বিক্ষোভ কাৰ্য্যসূচীৰ লগত সহযোগ কৰে।

# আপত যোগদান বিপিএফৰ ছাত্ৰ নেতাৰ



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যজুৰি আম আদমী পাৰ্টিৰ সদস্য ভৰ্তি অভিযান অব্যাহত আছে। ইয়াৰ মাজতে আপৰ ৰাজ্যিক কাৰ্যালয়ত দলটোত যোগদান কৰে বিপিএফৰ ছাত্ৰ সংগঠন বড়োলেণ্ড ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক দিব্যজ্যোতি ভূএগ্ৰাই। দলৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰী আৰু অন্যান্য নেতৃবৃন্দৰ উপস্থিতিত বিটিআৰৰ যুৱ নেতাগৰাকীয়ে আপত যোগদান কৰে। সমাজৰ উন্নয়নৰ স্বাৰ্থত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ আপোচবিহীন নীতি আৰু ৰাজনৈতিক আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ আপত যোগদান কৰে দিব্যজ্যোতি ভূএগ্ৰাই। আনহাতে, একেটা অনুষ্ঠানতে বিজেপি ত্যাগ কৰি আপত যোগ দিয়ে কামৰূপ মহানগৰ জিলাৰ জয়ন্ত শইকীয়া, ৰাজু সিনহা, জুমন দাস আৰু আমিনুল ইছলামে। নৱাগত আটাইকেইগৰাকী সদস্যকে দললৈ আদৰণি জনায় আপৰ জ্যেষ্ঠ নেতা প্ৰবীন শৰ্মা আৰু ৰাজ্যিক ৱৰ্কিং কমিটীৰ সদস্য অনুৰূপা ডেকাৰজাই । অনাগত দিনত ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত আপৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰিবলৈ তেওঁলোকে সংকল্প গ্ৰহণ কৰে।

# দুমুখীয়া চৰিত্ৰৰ মানুহ কেতিয়াও আপোন হ'ব নোৱাৰে




শৈলেন কুমাৰ,মিৰ্জা

বৰ্তমানৰ যুগটো হৈছে তৈলমৰ্দনৰ যুগ। আজিকালি সকলোৱে নিজস্ব ব্যক্তিগত স্বাৰ্থ তথা লাভালাভৰ বাবে ইজনে আনজনৰ লগত ভাল হৈ চলে । মানে কথাটো এনেধৰণৰ হ'ব পাৰে যে যিটো ফালে তৰাজুৰ ভৰ বেছি আমি সেইফালে স্থান ল'ম তথাপি ভৰ কম থকা খিনিক আমি অবহেলা নকৰোঁ বৰঞ্চ এটা বিকল্প হিচাপে ৰাখিম কাৰণ তৰাজু খনৰ ভৰ সদায় কম বেছি হৈ থাকে। আমি দুয়োটা ফালে এটা সু- সম্বন্ধ ৰক্ষা কৰিব লাগিব। কেতিয়াবা এটা ফালে ভৰ বাঢ়িব আৰু কেতিয়াবা আনফালে ভৰ বাঢ়িব । মুঠতে আমি ভৰৰ সমানে কেতিয়াবা এটা ফাল আৰু কেতিয়াবা আনটো ফাল হৈ থাকিব লাগিব। কিমান সুন্দৰ এই সম্বন্ধ বোৰ ইফালে সিফালে হৈ থাকিলে আমাৰ ছাল চিঙি যাৰ কিন্তু মুখমণ্ডলত আমাৰ অকমানো প্ৰভাৱ পৰিব নিদিওঁ ।সমাজ খন ইমানেই স্বাৰ্থপৰ হৈ পৰিছে যে ভিতৰত ঘিণা, হিংসা, ঈৰ্ষা ভৰি আছে কিন্তু মুখমণ্ডলত আপোনাৰ প্ৰতি কিমান চিন্তা যেন আপোনাৰ তেখেতৰ বাহিৰে আৰু কোনো শুভাকাংক্ষী নাই । অতি লজ্জাজনক আৰু ঘৃণনীয় কুকৰ্ম, কেতিয়াবা আপুনি ভাবি চাইছেনে আপোনাক কোনে ফুটবল খেলৰ বলটোৰ দৰে লথিয়াই আছে । এইবোৰ কৰি আপুনি কি পাইছে আৰু কি হেৰুৱাইছে ? আপুনি নিজে নিজৰ প্ৰতাৰক, প্ৰৱঞ্চক আপোনাক কোনোৱে অহিত কৰিব যোৱা নাই বৰঞ্চ আপুনি আপোনাৰ বাবে অহিতকাৰী। আপুনি নিজে দুৰ্বল যাৰবাবে আপুনি আনৰ মাজত দুৰ্বলতাৰ সুযোগ বিচাৰি ফুৰে। আপুনি প্ৰথমে নিজক ভাল পাবলৈ শিকক কাৰণ আপুনি নিজেই যেতিয়া নিজক ভাল নেপাব তেতিয়ালৈকে আনক ভালপাব নোৱাৰিব । সময় থাকোতে অনুশোচনা হোৱা উচিত নহলে যদি সময়ে শিকাব লগীয়া হয় তেতিয়া হ'লে বহুত কষ্ট পায়। গুলামী আৰু শোষণে মানুহক পংগু বনাই দিয়ে। দুমুখীয়া স্থিতি অৱলম্বন কৰি আপুনি হয়টো ভাবিছে যে আপুনি সময় সুযোগৰ উচিত ব্যৱহাৰ কৰিছে কিন্তু ভুল নুবুজিব আপোনাৰ হয়টো ধাৰণাটোৰ কৰবাত খেলিমেলি হৈছে । কাৰণ আপুনি সপোনত নহয় বাস্তৱত মোকাবিলা কৰিছে। সত্য চিৰস্থায়ী কিন্তু অসত্য অস্থায়ী । এদিন নহয় এদিন আপোনাৰ মুখা খোল খাবই কাৰণ পৰিৱৰ্তন প্ৰকৃতিৰ নিয়ম। আজিৰ স্থিতি পৰৱৰ্তীকালত সলনি হবই লাগিব । জীৱনটো উনমুক্ত হৈ উপভোগ কৰা উচিত, তৈলমৰ্দন অথবা দুমুখীয়া স্থিতি বহন কৰাটো অনুচিত।

# মনৰ কথা কব বিচাৰে


যমুনা দুলু বৈশ্য,শুৱালকুছি



সময়ৰ বাট বোলোতে
গোপনে হৃদয়ত স্পৰ্শ কৰে..
আৰু নিজে বাকৰুদ্ধ হৈ ৰয়
তেতিয়া নিৰৱে মনে মনে.
ভালপোৱা বোৰৰ স'তে
মনৰ আছুতীয়া হেঁপাহত
উন্মনাৰে পাখি মেলি যায় দূৰলৈ
দিগন্তত আকাশ চুবলৈ
গৃহস্থৰ শিকলি চিঙি
তাই মনৰ কথাবোৰ ক'ব বিচাৰে
জীৱন জাঁজী নৈত সাঁতুৰি পাৰ হ'বলৈ
সকলো বাধা নেওচি
আশাৰে পাণচৈত উটি ভাঁহি
ধৰিত্ৰীৰ বুকুত ন-কৈ গঢ়িবলৈ
জোন, বেলি থকালৈ প্ৰদুষণ মুক্ত হ'বলৈ
এক নিৰ্মল বতাহ পাবলৈ
হৃদয়ত সঘনে জোনাক নামে ।

# শৈশৱৰ ধেমালী

বিশ্বজিৎ বৈশ্য, শুৱালকুছি, বংশৰ



সঁচাকৈয়ে সেই এৰি অহা শৈশৱৰ দিনবোৰলৈ বৰকৈ মনত পৰে। পুৱা সোনকালে বিছনাৰ পৰা উঠি ৰাতি শোৱালৈ। স্কুললৈ মা- দেউতাই আগবঢ়াই থ'ব যোৱা সেই সময় বোৰৰ কথা ভাৱিলেই মনটো ভৰি পৰে। স্কুলৰ পৰা আহি হাত-মুখ ধুই কিবাকে ভাত কেইটা খাই লৈ হাতত ক্ৰিকেটৰ বেট পাত লৈ বন্ধুৰ সতে পথাৰত গৈ খেলা মেচখনো সুকীয়া আছিল। কিমান যে কতো হাহি ধেমালীৰ মাজেৰে পাৰ হৈ গৈছিল সেইবোৰ সময়। ধূলি-বালিৰে বালিঘৰ সজা, খাদ্য ৰন্ধা, পুতলাৰ দৰা-কইনা সাজি ঘৰ-ঘৰ খেলা আদিবোৰে যেন দি যায় শৈশৱৰ সেই আনন্দবোৰ। গাঁওৰ মন্দিৰৰ আহল-বহল চোতালখনত কতো যে কি খেল খিলিছিলো। স্কুলৰ বন্ধৰ দিনা পুৱাৰে পৰা ব্যস্ত হৈ পৰিছিলো বন্ধুৰ সতে সেই চোতালখনত নাইবা কাষৰ পথাৰখনত। হাতত মাৰবোলৰ টোপোলা লৈ গাঁওৰ ইটো মোৰৰ পৰা সিটো মুৰলৈ দিনৰ দিনটো খেলাৰ মাদকতাই বেলেগ আছিল। শৈশৱৰ দিনবোৰৰ মজা আছিল এই যে, যেতিয়া গাঁওৰ ভিতৰত ম'হৰ গাড়ী প্ৰৱেশ কৰিব তেতিয়া লগৰীয়াৰ সৈতে গাড়ীৰ পিছত ওলমি যোৱা কথাবোৰে আজিও স্মৃতিৰ ৰেঙণি। প্ৰথম চাইকেলখন চলাবলৈ চেষ্টা কৰোতে কিমানবাৰ যে, অত - তত পৰি হাত- ভৰিৰ পৰা তেজ ওলাইছিল। তেনেবোৰ বহু পাহৰিব নোৱাৰা কথা বা ঘটনাই আজিও আমনি কৰে।

# অসমীয়া জাতিৰ প্ৰাণ "ভাদ মাহ"



নিৰ্মালি বৰা হাজৰীকা, নগাঁও

অসমীয়া বৰ্ষচক্ৰৰ পঞ্চমটো মাহ ভাদমাহ এক সুকীয়া বৈশিষ্ট্যৰে জিলিকি আছে। ভাদ মাহ বুলিলেই মন পৱিত্ৰতাৰে ভৰি পৰে। য'তেই নাথাকক কিয় ভাদ মাহ বুলিলেই প্ৰতিজন অসমীয়াৰ শিৰ দোঁ খাই পৰে। অসমীয়া জাতিৰ প্ৰাণ ভাদ মাহ।

অসমৰ গাঁৱে-ভূঁৱে, চহৰে-নগৰে থকা নামঘৰ তথা সত্ৰত পুঁৱা-গধূলি হৰিনামৰ অমীয়া ধ্বনিৰে মূখৰিত হয়। শাওণ আৰু ভাদ মাহৰ সংক্ৰান্তিৰ দিনাৰে পৰা আৰম্ভ হয় ভাদ মাহ। শৰৎ ঋতুৰ অন্তৰ্গত এই ভাদ মাহৰ উৎপত্তি হৈছে পূৰ্বভাদ্ৰপদ নামৰ নক্ষত্ৰৰ পৰা।

ভাদ মাহৰ বিশেষত্ব হ'ল অসমীয়া সমাজ জীৱনৰ দিকদৰ্শনকাৰী, অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি ৰাখা জগত গুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱ দেৱৰ এই ভাদ মাহতেই মহাপ্ৰয়ান ঘটিছিল।

তেখেত সকলৰ ৰচনাৰাজিৰ মূল উপজীব্য আছিল ভগৱান শ্ৰীকৃষ্ণ। এই মাহ ৰেই ৰোহিণী নক্ষত্ৰৰ অষ্টমী তিথিত ভগৱান শ্ৰীকৃষ্ণৰ জন্ম হৈছিল।ভক্ত সকলে অতি উলহ-মালহেৰে জন্মাষ্টমী পালন কৰে।

অসমীয়া কৃষিজীৱি মানুহে এই মাহত কৃষিকৰ্মৰ পৰা আহৰি পায়। নামঘৰত গৈ ভগৱানৰ নাম লয়। বৰ্তমান ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতে অলপ হ'লেও সময় উলিয়াই নামঘৰত গৈ এভাগ শৰাই আগবঢ়াই পৰিয়ালৰ মংগল কামনা কৰে। সেইদৰে ভাদমাহত গোপিনীসকলেও ঘৰুৱা ব্যস্ততাৰ মাজতে ক্ষণিক আহৰি উলিয়াই নামঘৰ হৰিনামৰ ধ্বনিৰে ৰজন-জনাই তোলে।

ভাদমাহ উপলক্ষে বিভিন্ন ঠাইত ভাওনা - অংকীয়া নাট আদিৰ লগতে শংকৰী কলা কৃষ্টিৰ নানা কাযসূচী হাতত লোৱা হয়। সেয়েহে এই ভাদমাহত ভকত বৈষ্ণৱৰ লগতে গায়ন-বায়ন সকলোৰে সীমাহীন ব্যস্ততা।পুঁৱাৰ পৰা ৰাতিলৈ গায়নৰ গীতৰ ৰাগ, বায়নৰ

( ছয় পৃষ্ঠাত চাওক)

# সমাজত আলু পাচলিৰ দৰে থকা ব্যক্তিত্বটো বৰ ভয়াবহ



চন্দ্ৰ শেখৰ পৰাজুলী,বিশ্বনাথ চাৰিআলি

আচলতে আমি সকলোৱে আলুক পাচলিৰ ৰজা বুলি জানো । কাৰণ আলুয়ে হল এনে এবিধ একমাত্ৰ পাচলি যিয়ে প্ৰায় প্ৰতিটো ভাজিৰ লগত সহজেই মিলি যাবলৈ সক্ষম হয়। অৰ্থাৎ পাচলিৰ ক্ষেত্ৰত হয়তো আলুয়ে নিজৰ উচ্চ গুণগত মানদণ্ড পদৰ্শন কৰিলেও কিন্তু সমাজত জীৱন ধাৰণ কৰি অহা জীৱ শ্ৰেষ্ঠ মানুহৰ ক্ষেত্ৰত ইয়াৰ সম্পূৰ্ণৰূপে বিপৰীত ধৰণৰ পতিক্ৰিয়া সৃষ্টি হোৱা পৰিলক্ষিত হয় । কাৰণ আমাৰ সামাজত কিছু কিছু মানুহে প্ৰায় সকলোবোৰ মানুহৰ লগত সমানে মিলি অৰ্থাৎ শত্ৰু পক্ষতো ভাল আৰু মিত্ৰ পক্ষতো ভাল হৈ থাকিবলৈ বিচাৰে তেন্তে তেনেধৰণৰ মানুহৰ পৰা পৰাপক্ষত সাৱধান হৈ থকাটো উচিত হব। মহাভাৰত যুদ্ধ আৰম্ভ হোৱাৰ আগতে সকলোবোৰ বিৰ যোদ্ধাক ভগবান শ্ৰীকৃষ্ণই এফালৰ পৰা প্ৰশ্ন কৰি গৈছিল যে, আপোনালোকে কোনে কোনটো পক্ষত থিয় হৈ যুদ্ধত অৱতীৰ্ণ হবলৈ ইচ্ছা প্ৰকাশ কৰিব। সেই সময়ত প্ৰায়বোৰ বিৰ যোদ্ধায়ে নিজ নিজ মতামত শ্ৰীকৃষ্ণৰ আগত স্পষ্ট ৰূপত দাঙি ধৰিলে। কিন্তু তাৰে মাজতে এজন মহান যোদ্ধা বৰবৰিক অৰ্থাৎ বৰবৰিক যিটো পক্ষত থিয় হৈ যোদ্ধা কৰিবলৈ প্ৰস্তুত হব সেই পক্ষটো যদি অতি দূৰ্বল ধৰণৰ হয় তথাপিও বৰবৰিকৰ সহযোগত অতি সহজেই যুদ্ধ জয় হোৱাটো নিশ্চিত আছিল বুলি ধৰি লোৱা হৈছিল । সেইকাৰণে শ্ৰীকৃষ্ণই মনতে ভাবিছিল যে বৰবৰিক পাণ্ডৱ তথা শ্ৰীকৃষ্ণৰ পক্ষত থিয় দি যুদ্ধত অংশগ্ৰহণ কৰাটো ভাল আছিল বুলি। কিন্তু শ্ৰীকৃষ্ণই গৈ যেতিয়া বৰবৰিক প্ৰশ্ন কৰে যে, তুমি কাৰ পক্ষত থিয় দি যুদ্ধত অৱতীৰ্ণ হবলৈ ইচ্ছা প্ৰকাশ কৰিবা। তেতিয়া বৰবৰিকে শ্ৰীকৃষ্ণক এই বুলি কৈছিল যে, যুদ্ধ চলি থাকোতে যিটো পক্ষয়ে হাৰি যোৱা যেন অনুভৱ হব মই গৈ সেইটো পক্ষৰ পিনে থিয় দি যুদ্ধ কৰিবলৈ আৰম্ভ কৰি দিম। অৰ্থাৎ মই দুয়োটা পক্ষতে সমানে সহযোগিতা প্ৰদান কৰি যাম। বৰবৰিকৰ পৰা এনেকুৱা ধৰণৰ অনাস্পষ্ট ধৰণৰ কথা শুনি শ্ৰীকৃষ্ণই মনতে ভাবিলে যে বৰবৰিকে যদি ঠিক এনেকুৱা কিবা কৰে তেন্তে মহাভাৰতৰ যুদ্ধ কেতিয়াও সমাপ্ত হৈ নাযায়। সেয়েহে বৰবৰিকে অন্তিমত গৈ এক জটিল ধৰণৰ সমস্যাৰ উদ্ভাৱন কৰিব বুলি গম পায় লগে লগেই বৰবৰিক শিৰচ্ছেদ কৰি দিলে। আৰু শ্ৰীকৃষ্ণই মহাভাৰতৰ ৰণ স্থলীত গছ এখনত তেওঁৰ শিৰ ওলমাই দি একেবাৰে নিমাত হৈ যুদ্ধখনি উপভোগ কৰি থাকিবলৈ কলে। এই ঘটনাৰ সন্দৰ্ভত ভগৱান শ্ৰীকৃষ্ণক প্ৰশ্ন কৰি বহুতেই শুধিলে যে, প্ৰভু আপুনি বৰবৰিকৰ কি কাৰণত শিৰচ্ছেদ কৰিলে ? তেওঁৰ ভুলটো কত আছিল প্ৰভু ? তেতিয়া ভগৱান শ্ৰীকৃষ্ণই সকলোকে একেবাৰে বিতংকৈ বুজাই কলে যে, সমাজত শত্ৰুৰ পক্ষতো আৰু মিত্ৰ জনাৰ পক্ষতো ঠিয় দিয়া মানুহবোৰতকৈ ভংয়কৰ আৰু কোনো নাই। অৰ্থাৎ কোনো এটা পক্ষ নোলোৱাকৈ মাজত থিয় হৈ থকাটো অতি ভংয়কৰ। তেনেকুৱা ধৰণৰ মানুহৰ পৰা অকস্মতে গৈ বহু ডাঙৰ ডাঙৰ ঘটনা সংগঠিত হৈ যাব পাৰে। সেয়েহে এই মহাভাৰতৰ যুদ্ধখনি এক নিকা, শুদ্ধ ধৰণেৰে পৰিসমাপ্তি ঘটে সেইবাবে মই বৰবৰিকৰ দৰে এজন মহান যোদ্ধাৰ শিৰচ্ছেদ কৰিবলৈ বাধ্য হৈ পৰিলোঁ। অৰ্থাৎ উপৰোক্ত আলোচনাৰ জৰিয়তে কথা এটা স্পষ্ট হৈ পৰিল যে, সমাজত আলু পাচলিৰ দৰে থকা ব্যক্তিত্বটো বৰ ভয়াবহ ।

## খিৰিকীৰ কাষৰ গছবোৰ

সত্যজিৎ গগৈ,বামুণী গাঁও



ভাবাঘৰটোৰ উত্তৰত থকা খিৰিকীৰে গছবোৰে জুমি চায়  
কেতিয়াবা দুপৰীয়াৰ চোকা ৰ'দটোৰেও  
ঘৰটো বৈ থকা দেখি গছবোৰে হাঁহে খিলখিলাই  
পাতবোৰে সুহুৰিয়াই মাতে এজাক চেচা বতাহ  
খিৰিকীৰ কাষতে বহি কোনোবা প্ৰেয়সীয়ে গাই  
মতলীয়া ফাগুণৰ ৰঙা ৰঙা গান  
কোনোবাই ভিজা চুলিটাৰি মেলি দিয়ে  
চৰাইৰ ডেউকাৰ কোবত কোমল পাখিবোৰ সৰি পৰে  
তথাপি গছবোৰে ছাঁ দিয়ে ঘৰটোক  
বিচাৰি ফুৰে আকলুৱা হৃদয়ৰ মৰম  
সিঁহতকো জীয়াই থাকিবলৈ বিশ্বাস লাগে  
ঘৰটো বৈ থাকে আৰু খিৰিকীৰ কাষৰ গছবোৰ ওখ হৈ থাকে  
আকাশৰ সমান উচ্চতাৰ পৰা সাৱতি থাকে আমাক।

অণুগল্প

## ভক্ষক

অংশুমান ভুঞা, চামতা, নলবাৰী



"ছাৰ, এইবাৰ অইনবাৰতকৈও বিধ্বংসী ৰূপ ধৰিছে। আপোনালৈ সকলো তথ্য পঠিয়াই দিছোঁ। শীঘ্ৰে ব্যৱস্থা লওক।" খবৰটো পাই শইকীয়াৰ মুখত এটা কুটিল হাঁহি বিয়পি পৰিল।

"বৰবৰা, আপুনি গ্ৰাহক বিচাৰিব নালাগে। বাৰিষাটো পাৰ হওক, ময়েই কিনিম।"

কাৰ্যালয়ৰ টিভিটো অন কৰি শইকীয়াই চকুদুটা মুদি দিলে। কাণত বন্যাৰ্তৰ আৰ্তনাদ আৰু দুচকুত বৰবৰাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে থকা সোণৰ দৰে মাটিটুকুৰাত এটা বিলাসী অট্টালিকাৰ স্বপ্ন . . . . ।

## অসমীয়া জাতিৰ প্ৰাণ

খোলৰ চাপৰ, হৰিনামৰ পবিত্ৰ ধ্বনি, ভাৱৰীয়াৰ বিলাপ-পয়াৰৰ সুৰত এক নান্দনিক পৰিৱেশত অসমৰ আকাশ-বতাহ।

"তিনি ভদীয়াই হাতী বান্ধে"বুলি এক প্ৰবাদ আছে। একোটা পৰিয়ালৰ যদি তিনিটা পুৰুষ ভাদ মাহত জন্ম হয় তেন্তে সেই পৰিয়াল সৌভাগ্যশালী হয়। ঐশ্বৰ্য্য বিভুতিৰে ভৰি পৰে ঘৰ। ভাদ মাহত জন্মা সন্তানক ভাগ্যৱান বুলি কোৱা হয়। পৰিয়াল কোনোলোক মৃত্যু হ'লে অমংগল বুলি ভবা হয়। এই মাহত বিয়া নাপাতে আনকি কলগছো নোৰোৱে। ভাদ মাহৰ খাদ্যবিচাৰো মন কৰিব লগীয়া। ভাদ মাহত সৰিয়হ বটা, ওলকচু আদি খায়। ভাদ মাহত ৰ'দ প্ৰখৰ হয় বাবে বাকচৰ কাপোৰ ৰ'দত দিয়ে। যাৰ ফলত পোক-পৰুৱা আদিয়ে কাপোৰ নষ্ট কৰিব নোৱাঁৰে।

মুঠৰ ওপৰত অসমীয়া জাতি যেতিয়ালৈকে জীয়াই থাকে এই ভাদ মাহো ইয়াৰ স্বকীয় মহিমাৰে উজ্জ্বলী থাকিব।

## প্ৰেমৰ দুৰ্ভাগ্য

দীপক ৰায়, আগমনী, ধুবুৰী



আহ ! প্ৰেমৰ সুদিন  
কৰ'বাত হেৰাল  
এইয়াতো দুৰ্দিন..... ।  
ৰাতি হ'লেই ৰতি জাগে  
মতিৰ ভ্ৰম ঘটে  
ভাদমহীয়া কুকুৰ এটাই জাপ মাৰি উঠে  
ভোগৰ লালসাত ভুক - ভুকাই গৰজি উঠে ।  
এদিন ৰাতি চুমিৰ চৰণ  
এদিন আকৌ সেইয়াই ধৰ্ষণ কাৰণ মৰণৰ..  
প্ৰেমিকাৰ চকু বন্ধ  
বুকু উঠন্ত তাৰেই ওপৰত দানৱে কৰে নৃত্য  
হায় ! প্ৰেম, তোমাৰ চহৰত তুমিয়েই মৃত।




JANASANYOG- 1536/24/15-Sept-24

# অমৃত বৃক্ষৰ গৰল কথা

ৰাতুল মহন্ত

সপ্তদশ শতিকাৰ দ্বিতীয়াৰ্ধৰ কথা। দিল্লীৰ মচনদত তেতিয়া ঔৰংগজেৱ। ভাতৃৰ তেজেৰে দিল্লীৰ ৰাজপথ ৰাঙলী কৰি পিতৃ ছাহজাহানক পোতাশালত থৈ ক্ষমতাৰ ৰাগীত মতলীয়া হৈ পৰিছিল ঔৰংগজেৱ। শাসন কালৰ আৰম্ভণিতে ঔৰংগজেৱে কাশ্মীৰত এটা বৃহৎ মছজিদ নিৰ্মাণ কৰিছিল। সেই কালত এটা মছজিদ নিৰ্মাণ কৰাটো কিমান কষ্টকৰ সেয়া অনুমান কৰাটো জটিল নহয়। মছজিদটো নিৰ্মাণ সম্পন্ন হোৱাৰ কিছুদিন পাছতে ক্ষণিকৰ বাবে অহা এটা ভূমিকম্পত সেইটো তাচপাতৰ ঘৰৰ দৰে তচনচ হৈ পৰিল। চকুৰ সন্মুখতে মছজিদ ধ্বংস হোৱা বাতৰিটো এতিয়া জাহাপনাক দিয়াটো বৰ বিপদজনক কাৰ্যহৈ পৰিল। কাৰণ সকলোৱেই জানে জাহাপনাৰ ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট স্বভাৱৰ কথা । তৎসত্বেও মৰণত শৰণ দি দুজন কটকী ৰাওনা হ'ল সম্ৰাটক এই দুঃখবৰ দিবলৈ। তেওঁলোকে সম্ৰাটক ভয়ে ভয়ে এই দুঃখবৰটো দিলে। সম্ৰাটৰ মুখখন মলিন হৈ পৰিল। তেওঁ চিন্তিত ভাৱে কটকী দুজনক সুধিলে, "মছজিদৰ কাষতে থকা গছজোপা বাৰু ঠিকে আছেনে?" এইবাৰ কটকী দুজন আচৰিত হোৱাৰ পাল । খবৰ দিবলৈ আহিছিলো মছজিদ ধ্বংসৰ আৰু সম্ৰাটে সুধিছে সাধাৰণ গছজোপাৰ কথা! কটকী দুজনে তৎক্ষণাৎ ক'লে, জাহাপনা, গছজোপাৰ একো ক্ষতি হোৱা নাই। কটকীৰ উত্তৰ শুনি ঔৰংগজেৱৰ মুখখন উজলি উঠিল আৰু আল্লাক ধন্যবাদ জনালে। তেতিয়া কটকী দুজনে উৎকণ্ঠাক ৰোধ কৰিব নোৱাৰি সম্ৰাটক সুধিলে, "জাহাপনা, ইমান টকা খৰচ কৰি নিৰ্মাণ কৰা মছজিদটো ধ্বংস হোৱাৰ কথা কওঁতে আপুনি সাধাৰণ গছজোপাৰ খবৰ লোৱাৰ কাৰণ কি বাৰু ?" তেতিয়া ঔৰংগজেৱে ক'লে, "মই কালিলৈকে নতুন মছজিদ এটা নিৰ্মাণ কৰিব পাৰিম কিন্তু আল্লাৰ দান গছজোপা সৃষ্টি কৰিব নোৱাৰোঁ । সেয়েহে গছজোপা ধ্বংস হৈছে বুলি ভাবি মই চিন্তিত হৈ পৰিছিলো। গছজোপা অক্ষত অৱস্থাত আছে বুলি জানিব পাৰি মইবৰ আনন্দ পাইছো।" মোগলক অপসংস্কৃতিৰ প্ৰতীক বুলি সদায়েই কৈ অহা আমাৰ ভাগ্যনিয়ন্ত্ৰা সকলে এনেধৰণৰ কথা বিলাকৰ পৰা নিশ্চয় শিক্ষা ল'ব পাৰে।

সেমেকা জলবায়ুৰ অন্তৰ্গত অসমত আয়াসতে গছ-বন গজে। সেয়েহে অৰণ্য-মানৱ যাদৱ পায়েঙে "অসমত গছ ৰুব নেলাগে, এনেয়ে হ'ব মাথো গছ কটা বন্ধ কৰক" বুলি কৈছে । অসমত যিমান বিলাক অৰণ্য আছে "মুলাই কাঠনি" ৰ বাহিৰে সকলো স্বাভাৱিক ভাৱে সৃষ্টি হোৱা। এটা সময়ত এই অৰণ্য সমূহত অজস্ৰ মূল্যবান গছ আছিল। পিছে চৰকাৰৰ ভুল বননীতিৰ বাবেই হওক বা বন বিভাগৰ বিষয়া কৰ্মচাৰীৰ বেপৰোৱা মনোভাৱৰ বাবেই হওক এই অৰণ্য সমুহত মূল্যবান গছৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাই আহিবলৈ ধৰিলে ফলস্বৰূপে পাৰিপাৰ্শিক অৱস্থাতো বিৰূপ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰিছে । অৰ্থাৎ প্ৰকৃতিয়ে আমাক দুহাত উজাৰি দিলেও আমি তাৰ সৎব্যৱহাৰ কৰিব নজনা বাবেই আমি এক বিপদৰ মুখামুখি হ'বলৈ গৈ আছো। অসমৰ অৰণ্য বিলাকৰ সংৰক্ষণ আৰু পৰিবৰ্ধনৰ বাবে "বনবিভাগ" নামে চৰকাৰৰ এটা সুকীয়া বিভাগ আছে, সেইবিভাগৰ মন্ত্ৰী পৰ্য্যন্ত আছে আৰু অৰণ্য সম্পৰ্কীয় সকলো কাম তদাৰক কৰাৰ দায়িত্ব সেই বিভাগটোৰ। আৰক্ষী বিভাগটোৱে শিক্ষা বিভাগৰ তদাৰক নকৰে বা কৰিব নোৱৰাৰ দৰে শিক্ষা বিভাগেও বনবিভাগৰ কাৰ্যাৱলীত হস্তক্ষেপ কৰিব নেলাগে । সকলো বিভাগৰে নিজ নিজ কৰ্তব্য আৰু দায়িত্ব আছে আৰু তাক সুচাৰুৰূপে পালন কৰিব লাগে। কিন্তু এতিয়া কথাবিলাক তেনে হৈ থকা নাই। পাম-গছ ৰোপনেৰে মৰুভূমি সদৃশ পৰিৱেশৰ সৃষ্টি কৰিব খোজা চৰকাৰ খনে যুদ্ধকালীন প্ৰস্তুতিৰে অসমৰ সকলো চৰকাৰী কৰ্মচাৰীকে বৃক্ষৰোপণ কাৰ্য্যসূচীৰ সৈতে যুক্ত কৰা কথাটোত কি যুক্তিযুক্ততা থাকিব পাৰে ? গছৰ প্ৰতিপালন সংৰক্ষণ আৰ পৰিবৰ্দ্ধনৰ বাবে এটা স্বতন্ত্ৰ বিভাগ থকা সত্বেও কেৱল আন বিভাগৰ কৰ্মচাৰীয়ে নহয় অসমৰ সমূহ আত্মসহায়ক গোটকে গছপুলি ৰোপনৰ সৈতে জড়িত কৰোৱাৰ কি যুক্তি থাকিব পাৰে? পথ বহল কৰাৰ নামত হাজাৰ হাজাৰ গছ যে ধ্বংস কৰা হৈ আহিছে ? এটা সময়ত গোৱালপাৰালৈ যাওঁতে দেখা পোৱা শাল-কাঠৰ নয়নাভিৰাম দৃশ্য অদৃশ্য হ'ল আৰু তেনে বিলাক ধ্বংস যজ্ঞত চৰকাৰখন আওপকীয়া ভাৱে জড়িত হৈ আহিছে। সাধাৰণ জনগণৰ ঘৰত আপুৰুগীয়া কাঠৰ আচবাব নাপায়; তেওঁলোক এইবিলাক গছ ধ্বংসৰ বাবে কোনো কাৰণতে জগৰীয়া নহয়। এতিয়া বৃক্ষৰোপনৰ সমগ্ৰ প্ৰক্ৰিয়াটোত সকলো শিক্ষক-কৰ্মচাৰীক জড়িত কৰি কোটি কোটি টকা খৰচ কৰাৰ পাছত তাৰ ফল কি হৈছে ৰাইজে দেখি আছে । আজিৰ পৰা ২২ বছৰমান পূৰ্বে তৃতীয় অসম আৰক্ষী বাহিনীৰ নেতৃত্বত তিতাবৰ চাৰিআলিৰ পৰা চিনামৰালৈকে গড় আলিৰ দুয়োকাষে সহস্ৰাধিক গছপুলি ৰোপণ কৰিছিল। এতিয়া সেই সহস্ৰাধিক গছপুলিৰ ভিতৰত বিছটা ও নাই। যোৱা বছৰ যিমান গছপুলি ৰোপণ কৰিছিল তাৰে কেইশ বাছে সেইয়া সময়ে ক'ব। "অমৃতবৃক্ষ"- শব্দটো সংস্কৃতগন্ধী ; শব্দটো শুনিবলৈ শুৱলা, কিন্তু সকলো গছেই অমৃত সদৃশ নহয় । "মঞ্চিনিল"(manchineel) নামৰ গছজোপাৰ ফলটো মুখত ল'লেই যিকোনো লোকৰ মৃত্যু আৱশ্যম্ভাৱী। আপুনি যদিহে সেই গছজোপাৰ ছাল বা পাত স্পৰ্শ কৰে তেন্তে আপুনি মৃত্যুসম যন্ত্ৰনা সহ্য কৰিবলৈয়ো সাজু থাকিব লাগিব । মুঠতে সকলো গছেই অমৃত নবৰষে, সেইটো কথাও মনত ৰখা ভাল।

ধৰিত্ৰীয়ে সন্মুখীন হোৱা জ্বলন্ত সমসা সমুহৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰী সকলক সৰুৰেপৰাই ঘৰে বাহিৰে শিক্ষা দিব লাগিব । বিশ্ব পৰিৱেশ দিবসৰ সৈতে সংগতি ৰাখি গছপুলি এটা ৰুই আমি পৰিৱেশৰ উন্নতি সাধন কৰিব নোৱাৰো আৰু এক মিনিটত একলাখ গছপুলি ৰোৱাৰ বিশ্বৰেকৰ্ড কৰিও ধৰণী শ্যামলী কৰিব নোৱাৰোঁ। আচলতে কোনো এটা কাম কৰিবলৈ একাগ্ৰতাৰ প্ৰয়োজন। এইক্ষেত্ৰত মেক্সিম গৰ্কীৰ এষাৰ কথা তাৎপৰ্যপূৰ্ণ । তেওঁ কৈছে, "যেতিয়া কাম কৰি ভাল লাগে, তেতিয়া জীৱন আনন্দময় হয়। যেতিয়া কাম কেৱল দায়িত্ব হয় তেতিয়া ই হৈ পৰে দাসত্ব।" সেয়েহে আমি যিকোনো কাম কৰিবলৈ সেই কামটো ভাল পাব লাগিব আৰু সেইভাল পোৱা আহিব লাগিব অন্তৰৰ পৰা । তেতিয়া সেই কামটো আপোনাৰ জীৱনদায়িনী স্বৰূপ হৈ পৰে । পিপলান্ত্ৰি গাওঁখন বিশ্ববিখ্যাত হৈ পৰাৰ খবৰ আমি সকলোৱে জানো । এজন মাথো লোকৰ নেতৃত্বত আৰু গাঁওবাসীৰ সমূহীয়া প্ৰচেষ্টাত কি দৰে এখন শুকান মৰুৰ গাওঁ সেউজীয়া হৈ পৰিল, চৰাই এটাও দেখিবলৈ নোপোৱা গাওঁখন কেনেদৰে কাকলিৰ মিঠা শব্দত মুখৰিত হৈ পৰিল সেই বিষয়ক লৈ শতাধিক তথ্যচিত্ৰ নিৰ্মাণ হোৱাৰ লগতে



আৰ্জেন্টিনাৰ এটি দলে "Tree Sisters" নামে এখন কথাছবিও নিৰ্মাণ কৰিছে।

ৰাজস্থানৰ ৰাজছমন্দ জিলাৰ অন্তৰ্গত পিপলান্ত্ৰি গাঁও। মাৰ্বল পাথৰেৰে সমৃদ্ধ গাঁওখনত ডাঙৰ ডাঙৰ ব্যৱসায়ী সকলে বৃহৎ বৃহৎ মাৰ্বল পাথৰৰ খনি আৰম্ভ কৰাত আৰু দিনটোৰ ছবিছ ঘণ্টাই খনি সমূহত কাম চলাৰ ফলস্বৰূপে গাওঁখনৰ পৰিৱেশ প্ৰদূষিত হৈ পৰে। জলাশয়ৰ পানীও প্ৰদূষিত হৈ পৰে, গছ- লতিকাৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাই আহে, মাটিৰ উৰ্বৰতাও হ্ৰাস পাবলৈ ধৰে, ভূগৰ্ভস্থ পানী দ্ৰুত ভাৱে শুকাই যায় আৰু তাৰ ফলত সমগ্ৰ পৰিৱেশটোতে বিৰূপ প্ৰভাৱ পৰে আৰু দৰিদ্ৰতাই আগুৰিধৰা গাঁওবাসী ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ ভিন্ন ঠাইলৈ কামৰ সন্ধানত ওলাই যায়। এনে এক দুৰ্যোগময় পৰিস্থিতিতে ২০০৫ চনত মৰু সদৃশ গাওঁখনৰ মুখিয়ালৰ দায়িত্ব লাভ কৰে শ্যাম সুন্দৰ পালিৱালে । তাৰ ঠিক কিছুদিনৰ পাছতে তেওঁৰ মৰমৰ কন্যা "কিৰণ"ৰ মৃত্যু হ'য়। কিন্তু কিৰণৰ মৃত্যু গাওঁখনৰ বাবে যেন আশীৰ্বাদ স্বৰূপ হৈ পৰিল! সেইদিনা সকলোৱে কিৰণৰ মৃত্যুক স্বাভাৱিক মৃত্যুৰ দৰেই গ্ৰহণ কৰিছিল । কিন্তু কোনে বাৰু ভাবিছিল "কিৰণ"ৰ মৃত্যুৱে সাতটা সুৰুযৰ কিৰণেৰে গাওঁখন উজলাই তুলিষ্টৱ বুলি ? কিৰণৰ মৃত্যু আছিল যেন দহৰ বাবে, দেশৰ বাবে মৃত্যু! কবিৰ ভাষাত,

"যি মৃত্যুৱে দহক জীৱন দিয়ে
সেই মৃত্যু আত্মাৰ দৰেই
অবিনশ্বৰ"

কিৰণৰ মৃত্যু শোকত পিতৃ শ্যাম সুন্দৰ পালিৱাল ভাগি পৰিছিল আৰু দুহিতাৰ স্মৃতিত এটা গছপুলি ৰোপন কৰিছিল । গাওঁখনৰ মুখিয়াল হিচাপে সেইদিনাই তেওঁ এটা অভিনৱ নিয়ম প্ৰৱৰ্তন কৰিলে । গাওঁখনত কন্যা সন্তানৰ জন্মৰ লগে লগে গাৱঁৰ ৰাইজে ১১১ টা গছপুলি ৰোপণ কৰিব লাগিব আৰু নতুন সন্তানটিক প্ৰতিপালন কৰাৰ দৰেই এই গছপুলি বিলাকো প্ৰতিপালন কৰিব লাগিব। তদুপৰি কোনোৱে কন্যা ভ্ৰূণ হত্যা কৰিব নোৱাৰিব। পালিৱালৰ এই এটা মাত্ৰ সিদ্ধান্তই গাওঁখনলৈ অভাৱনীয় পৰিবৰ্তন আনিলে। প্ৰায় আঠ হাজাৰ লোকৰ বাসস্থান গাঁওখনত প্ৰতিবছৰে ৭০/৮০ টা কন্যা সন্তানৰ জন্ম হয় আৰু বছৰি ৮/৯ হাজাৰ গছপুলি ৰোপণ হয় য'ত পুলিৰ মৃত্যুৰ হাৰ শূন্য শতাংশ। লাহে লাহে গাওঁখন সেউজীয়া হৈ আহিবলৈ ধৰিলে, গৰমৰ প্ৰকোপ কমি আহিল, বতাহ নিৰ্মল হৈ আহিল আৰু সময়মতে বৰষুণ হ'বলৈ ধৰাত পানীৰ অভাৱো নাইকীয়া হ'ল। মানৱসৃষ্ট এই সুন্দৰ পৰিৱেশলৈ প্ৰকৃতিৰ অনন্য অৱদান বিভিন্ন ধৰণৰ চৰাইৰো আগমন ঘটিল। সাম্প্ৰতিক সময়ত গাঁৱৰ কোনো লোকৰ মৃত্যু হ'লেও তেওঁৰ স্মৃতিত ৰবটা গছপুলি ৰোপন কৰে । গাওঁখনৰ সকলো মুনিহ তিৰোতা, আনকি শাৰীৰিক ভাৱে অক্ষম লোক সকলেও তেওঁলোকৰ সাধ্যানুসৰি গছপুলি সমূহ প্ৰতিপালন কৰি আহিছে ।

ৰাজস্থানৰ এই গাওঁখন ভাৰতৰ প্ৰত্যেক ৰাজ্যৰ প্ৰতিখন গাঁৱৰ বাবে আদৰ্শ হ'ব লাগে। কিন্তু সেয়া আজিও বাস্তৱ ক্ষেত্ৰত হোৱা নাই। এই ক্ষেত্ৰত আমি অসমীয়া সকল আৰু এখোপ চৰা। যি কোনো সভাৰ আৰম্ভণিতে "ছহিদ তৰ্পণ" কাৰ্য্যসূচীৰে ছহিদক অপমান কৰাৰ দৰে (আমি ছহিদৰ কেঁচা তেজৰ মূল্য বুজিলো জানো ?) আজিকালি ফাগুন চ'ত মাহৰ শুকান দিনবিলাকৰ সভা বিলাকতো বৃক্ষৰোপণৰ কাৰ্য্যসূচী থাকে । গছপুলি ৰোৱাৰ এটা নিৰ্দিষ্ট ঋতু আছে সেইটোও আমি পাহৰি গ'লো। খৰাং কালৰ সভাত বৃক্ষৰোপণ কাৰ্য্যসূচী পালনৰ পাছত সেইটো প্ৰতিপালনৰ দায়িত্ব কোনে লয় ? গছ পুলিটো ৰোৱাৰ পাছতে সেইটো গো-মাতাৰ পেটলৈ গ'লেও যাওঁক, পুলিটোৰ সৈতে চেলফি তুলি সামাজিক মাধ্যমত প্ৰচাৰ চলাবতো পাৰিম ! ধিক অসমীয়া!!

# ঐতিহ্য, উৎস আৰু বিস্তাৰ

জ্যোতি খাটনিয়াৰ



কর্তৃত্বৰ সৈতে মৰ্যাদা আৰু সন্মান জড়িত হৈ থাকে। জ্ঞানৰ জগতখনত অনুসন্ধান, তথ্যৰ বিশ্লেষণ, বিজ্ঞান সন্মত পদ্ধতি, সিদ্ধান্ত - অনুসিদ্ধান্তৰ মাজেৰে কর্তৃত্ব প্ৰতিষ্ঠা হয়। পাণ্ডিত্যৰ প্ৰথম চানেকিটোৱেই হ'ল তাৰ সৈতে জড়িত কর্তৃত্ব। Scholarship আৰু Authority দুয়োটা কাষে কাষে যায়। দুয়োটাৰ প্ৰতি প্ৰত্যাহ্বান আৰু দুয়োটাৰ সৈতে সংঘাতে জ্ঞানৰ অগ্ৰগতি আৰু পৰিৱৰ্তনৰ বতৰা আমাক দিয়ে। পাণ্ডিত্য আৰু কৰ্তৃত্বৰে যি চাৰিটা নাম অসমৰ জনসাধাৰণৰ মনত আৰু সাৰস্বত সমাজত জিলিকি আছে, সেইকেইটাৰ ভিতৰত অন্যতম হ'ল ড° মহেশ্বৰ নেওগ। বাকী তিনিটা হ'ল ড° বাণীকান্ত কাকতি, পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ আৰু ড° তীৰ্থনাথ শৰ্মা। প্ৰত্যেকৰে বিচৰণ ক্ষেত্ৰবোৰৰ মাজত সম্পৰ্ক আছে আৰু সেইবাবে তেওঁলোকৰ বৌদ্ধিক পৰিসৰ আৰু তাৰ বেশ সংবেদনশীল পঢ়ুৱৈয়ে থিতাতে ধৰিব পাৰে। ড° নেওগৰ মাজত মধ্যযুগৰ নৱবৈষ্ণৱ আন্দোলনৰ শক্তিশালী গতি প্ৰবাহ আৰু ঊনবিংশ শতিকাৰ ইংৰাজ শাসনৰ মাজেৰে সৃষ্টি হোৱা আধুনিকতাৰ চেতনাৰ এক বিৰল সমন্বয় লক্ষ্য কৰিব পাৰি। ড° নেওগ বিংশ শতিকাৰ অসমীয়া বৌদ্ধিক সাধনাৰ এক প্ৰতীক হৈ ৰৈছে। কি নাই তেওঁৰ মাজত? ভাবিলে আচৰিত লাগে যে সাহিত্য, সংগীত, নৃত্য, শিল্পকলা, মৌলিক ৰচনা, পাঠ সমীক্ষা, কবিতাৰ ৰাশি ৰাশি ক্লাছিকেল চেতনাৰে সমৃদ্ধ ভাবনাৰপুঞ্জ একেজন মানুহৰ মাজতে আছে। ড° বীৰেন্দ্ৰনাথ দত্তই লোক সংস্কৃতিৰ গৱেষণাৰ আঁৰত শিপাৰ সন্ধানৰ কথাটো(search for roots)ৰ ওপৰত বাৰে বাৰে জোৰ দিছিল। ড° নেওগৰ সমগ্ৰ ৰচনা আৰু কৰ্মশক্তিৰ আঁৰত শিপাৰ সন্ধানৰ কথাটো শক্তিশালীভাৱে জড়িত হৈ আছে। কিন্তু তেওঁৰ শিপাৰ সন্ধানৰ কথাটো অতি বহল পৰিসৰৰ ; ইয়াৰ জৰিয়তে অসমীয়া মানুহৰ মানসিক জগতৰ গঠন, বিকাশৰ প্ৰক্ৰিয়া, এই সমগ্ৰ ভূখণ্ডৰ ধৰ্মীয় আৰু সাংস্কৃতিক চেতনাৰ উৎস, সন্ধান আৰু তাৰ পৰিবৰ্ধন লুকাই আছে। ড° নেওগে মানুহৰ জীৱনত সংস্কৃতি আৰু ধৰ্মৰ ভূমিকাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। দৰাচলতে এই দুটাক বাদ দি তেওঁ নিজৰ বিচাৰ বিশ্লেষণক আগুৱাই নিব খোজা নাই। তেওঁ সীমিত পৰিসৰত থাকিও বিশ্বজনীনতাৰ কল্পনা কৰিব খোজাকলৈ কিছু আত্মব্যংগৰ সুৰত নিজৰ বিষয়ে লিখা কথাটোতে ইয়াৰ দহদহীয়া প্ৰমাণ পোৱা যায় : "ইহ্ নেদেখিছা, বৰ বিশ্ব-বিখ্যাত পণ্ডিতটো! জন্মনো পাইছিল ক'ত? কমাৰফদীয়াৰ নিচিনা এখন অখ্যাত সৰু গাঁৱতহে!" এই প্ৰসংগত তেওঁ ভগৱান বুদ্ধই মহানিৰ্বাণ নিকট বুলি গম পাই তেওঁৰ অন্তিম সময়ত এখন সৰু ঠাইলৈ যোৱাৰ কথা কৈছিল। ঊনবিংশ শতিকাৰ আধুনিক চেতনাই কিদৰে ককায়েক কবি ডিম্বেশ্বৰ নেওগৰ ভাষাত "ব্ৰহ্মাণ্ডৰ এই ক্ষুদ্ৰ তাণ্ডৱণ" ক চুই গৈছিল, তাৰ বৰ্ণনা ড° নেওগে তেওঁৰ 'জীৱনৰ দীঘ আৰু বাণি'ত দি গৈছে। ব্ৰাহ্ম সমাজৰ অন্যতম প্ৰবক্তা ৰামকুমাৰ বিদ্যাৰত্নৰ ধৰ্মযাত্ৰাৰ ৰথখন কিদৰে মহাপুৰুষজনাৰ কীৰ্তন - ঘোষাৰ পদ জাত লগাই শুনোৱাৰ লগে লগে এই কমাৰফদীয়াত স্তব্ধ হ'ল, সেয়া বেছ তাৎপৰ্যপূৰ্ণ। নিঃসন্দেহে সি অসমত নৱবৈষ্ণৱ ধৰ্মীয় চেতনাৰ শক্তিশালী ভেটিটোকো প্ৰতিনিধিত্ব কৰে। ড° নেওগৰ মহাপুৰুষজনাৰ প্ৰতি আগ্ৰহ আৰু শ্ৰদ্ধা তেওঁৰ শৈশৱৰ পৰাই দেখা যায়। শ্ৰী শ্ৰী শংকৰদেৱৰ (১৯৪৮) জীৱনী আৰু Sankardeva and His Times: Early History of the Vaishnava Faith and Movement in Assam নামৰ গ্ৰন্থৰ যোগেদি তেওঁ যি বিৰাট কৰ্মযজ্ঞ আৰম্ভ কৰিলে, ইয়াৰ প্ৰভাৱ তেওঁ নিজৰ জীৱনত আৰু আজিলৈকে অসমৰ শংকৰদেৱ চৰ্চা আৰু অসম তত্ব, দুয়োটাতে বিয়পি ৰৈছে।

ড° নেওগৰ জন্ম ১৯১৫ চনৰ ৭ ছেপ্টেম্বৰত। কমাৰফদীয়াতেই তেওঁ অ-ফলা, ক- ফলা শিকাৰ সময়। পৰৱৰ্তী সময়ত তেওঁ শিৱসাগৰ, উত্তৰ লখিমপুৰ আৰু যোৰহাট জিলাৰ বিদ্যালয়ৰ মাজেৰে হাইস্কুলীয়া শিক্ষা সাং কৰে। হাইস্কুলীয়া জীৱনত তেওঁক দুখন কিতাপে গভীৰভাৱে প্ৰভাৱিত কৰে। এখন হ'ল লেম্বদ্বয়ৰ Tales From Shakeaspeare আৰু আনখন হ'ল লৰ্ড এভবেৰীৰ The Plesaures of Life। ১৮৮৭-৮৯ৰ সময়ছোৱাত প্ৰকাশিত এই গ্ৰন্থখনত ঊনবিংশ শতিকাৰ এক বিশেষধৰণৰ বীক্ষণ আৰু চেতনাবোধ আছিল। বৰ্তমান এই গ্ৰন্থখনক 'ট্ৰেজাৰ্ছ লীগ অৱ কালচাৰ'ৰ মৰ্যাদা দিয়া হৈছে। ধাৰণা কৰিব পাৰি যে এই গ্ৰন্থখনৰ ড° নেওগৰ মানসিক জগতৰ নিৰ্মিতিত গভীৰ প্ৰভাৱ আছে। এই গ্ৰন্থখনে আনন্দ আৰু সৌন্দৰ্য্যৰ এক বিশেষ ধাৰণা ডাঙি ধৰিছে। কন্যা নবমালতী নেওগৰ ভাষাত: "দেউতাই কৈছিল যে সৌন্দৰ্য্য মানুহৰ মনত আৰু কামত থাকে।" এই সৌন্দৰ্য্য আৰু পৰিপাটিৰ ধাৰণাটো ড° নেওগৰ মনত নিকপকপীয়া হৈ ৰৈছিল। জ্ঞানৰ অন্বেষণত ব্ৰতীসকলৰ বাবে ড° নেওগৰ দুৱাৰ আছিল সদায় খোলা। পুত্ৰ প্ৰণৱস্বৰূপ নেওগে উল্লেখ কৰিছে যে গুৱাহাটী মেডিকেল কলেজত চিকিৎসাধীন হৈ থাকোতেও বহু কিতাপ, গৱেষণা গ্ৰন্থ ড° নেওগৰ হাতত গোট খাইছিল। এই কথাটোৰে সেই সময়ৰ মেডিকেল কলেজৰ অধ্যক্ষ ড° যোগেশ চন্দ্ৰ মহন্তদেৱক বিস্মিত কৰিছিল। ড° নেওগৰ ভাষাত : " ছাত্ৰ ছাত্ৰীৰ জীৱনটো আমাৰ নিচিনা শিক্ষকৰ হাতত। এই থিছিছবোৰ চাওঁতে পলম কৰিলে তেওঁলোকৰ গৱেষণাৰ কাম পিছ পৰি থাকিব। গতিকে তাকে কৰি আছোঁ।" 'পিছ পৰি থকা' কথাটো ড° নেওগৰ কোনোদিনেই প্ৰিয় নাছিল। তেওঁ নিজেও পিছ পৰি থাকিবলৈ ভাল নাপাইছিল আৰু জাতিটোকো পিছ পৰি থাকিবলৈ দিয়াৰ বাবে তেওঁ ৰাজী নাছিল। ইয়াৰ উপায় হিচাপে তেওঁ বাচি লৈছিল জ্ঞানৰ অন্বেষণ আৰু নিৰন্তৰ কৰ্ম ব্যস্ততা। কি কৰা নাই তেওঁ! গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ এজন গুৰি ধৰোঁতা তেওঁ। এই বিশ্ববিদ্যালয়ক বৌদ্ধিক শক্তি দিয়া মুষ্টিমেয় মানুহকেইজনৰ ভিতৰত অন্যতম তেওঁ। জাতিৰ সংকটত মাত মতা মানুহ তেওঁ। Assam Opposes Grouping (ডিচেম্বৰ ১৯৪৬), Stay Out আদি প্ৰবন্ধৰ যোগেদি এই অঞ্চলৰ মানুহ আৰু মাটিখিনিৰ কাৰণে ৰাষ্ট্ৰীয় পৰ্য্যায়ত তাহানিয়ে মাত মতা মানুহ তেওঁ।

উল্লেখ্য যে হাইস্কুলত পঢ়া সময়তে(১৯৩২ চনত) তেওঁ প্ৰুফ ৰিডিঙৰ কৌশলখিনিও আয়ত্ত কৰিবলৈ ধৰে: "তাত থাকোতে ককাইদেউৰ (অৰ্থাৎ ডিম্বেশ্বৰ নেওগ, স্থান: উত্তৰ লখিমপুৰ) কিতাপৰ প্ৰুফ আহি থাকে দেখি সেই তেতিয়াৰ পৰাই 'কেঁচা ছপা' চোৱাত মোৰ ৰুচি বহিছিল। ১৯৩২ চনৰ পৰা আৰম্ভ কৰি প্ৰুফ শুধৰোৱা পৰ্বৰ মোৰ স্বৰ্ণ জয়ন্তীৰ তাৰিখ পিছে পাৰ হৈ গ'ল কোনেও নভবা-নিচিন্তাকৈ।" (জীৱনৰ দীঘ আৰু বাণি, পৃঃ ৬২) তেওঁৰ কলেজীয়া শিক্ষা কটন কলেজত; আৰু প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এম ডিগ্ৰী গ্ৰহণ কৰে। কটন কলেজৰ ইংৰাজীৰ প্ৰথিতযশা শিক্ষক পি চি ৰয়ৰ পৰা তেওঁ পাঠ সমীক্ষাৰ প্ৰাথমিক কথা-বতৰাখিনি মহাবিদ্যালয় পৰ্যায়তে শিকি পেলায়। ই তেওঁক পৰৱৰ্তী সময়ত ভক্তিপ্ৰদীপ, কথা গুৰু-চৰিত, কীৰ্তন- ঘোষা আৰু নামঘোষা আদিৰ সম্পাদনাত সহায়ক হয়। এইক্ষেত্ৰত ড° নেওগৰ মন্তব্য উদ্ধৃতিযোগ্য: "প্ৰায় সকলোৱেই পুথিত পোৱা পাঠ 'শুধৰোৱা' টোহে পাণ্ডিত্য বুলি ভাবে। কিন্তু সেই পথ দুষ্ট পথ। ফলি আদিৰ পাঠ গ্ৰহণ কৰা বিষয়তো দুই-একে তেনে শুধৰোৱা প্ৰবৃত্তি দেখুৱাইছে। সেইদৰে 'শুধৰালে'ও মূলৰ 'ভুল পাঠ' কি আছিল, তাক নিৰ্দেশ কৰাটো নিতান্ত আৱশ্যকীয়।" পূৰ্বতে কোৱাৰ দৰে পাঠ সমীক্ষাৰ ক্ষেত্ৰত ড° নেওগ কটন কলেজৰ প্ৰথিতযশা অধ্যাপক পি চি ৰায়ৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। বিশেষকৈ পাঠ সমীক্ষাৰ বিষয়ে প্ৰাৰম্ভিক পৰ্যায়ৰ কথা বতৰাখিনি তেওঁ অধ্যাপক ৰায়ৰ ক্লাছৰ পৰাই আয়ত্ত কৰিছিল : "অনাৰ্ছ ক্লাছতে ৰায় ছাহাবে Variorum Shakespeare পঢ়ি বলৈ শিকাই মোৰ মনত পাঠ-সমীক্ষাৰ প্ৰথম অঙ্কুৰটি স্থাপন কৰিছিল, যাৰ ফলত শেক্সপিয়েৰৰ পাঠত কোৱাৰ্টো, ফলিও আদি সংস্কৰণে কেনেকৈ ভেদ সৃষ্টি কৰিছিল, সেইটো চোৱাত ব্যগ্ৰ হৈছিলোঁ।" অধ্যাপক ৰায়ে আকৌ কলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজীৰ বিখ্যাত অধ্যাপক এইচ এম পাৰ্চিভেলক শ্ৰদ্ধা আৰু আন্তৰিকতাৰে স্মৰণ কৰিছিল। পাৰ্চিভেলে ৩১ বছৰ ইংৰাজী সাহিত্য পঢ়ুৱাইছিল। ড° নেওগক আগ্ৰহী কৰি তুলিবলৈ পাৰ্চিভেল সম্পাদিত মেকবেথৰ পাতনি প্ৰথম বাক্যটোৱেই পৰ্যাপ্ত আছিল: " The play was first published in 1623, in the first folio of the collected plays. No quarto of the separate play is known to exist." স্বাভাৱিকতে ড° নেওগৰ দৰে অনুসন্ধিৎসু ছাত্ৰ এজনক এই বাক্য দুটাই এক বিশেষ জগতৰ মাজলৈ লৈ গৈছিল। ড° নগেন শইকীয়াই উল্লেখ কৰিছে যে এই বিদ্বানজনাই সম্পাদনাৰ সময়ত গুৰুত্ব দিয়া বিষয় কেইটা আছিল- (১) পুথিৰ বয়স, (২) লিখকৰ নাম, স্থান, সময়, শিক্ষা, অন্যান্য অৰ্হতা, (৩) পুথিৰ আখৰ, (৪) পুথিৰ বিষয়ৰ বিচাৰ, (৫) পুথিৰ ভাষা আৰু ব্যাকৰণগত বিশিষ্টতাসহ, (৬) পুথিত উল্লিখিত প্ৰসংগ আৰু (৭) পুথিখনিৰ গুৰুত্ব।

ড° নেওগৰ মহাপ্ৰয়াণৰ দিনটোত আমি তেখেতৰ কেইটামান অধ্যয়ন আৰু বক্তৃতালৈ মনত পেলাব পাৰো। যেনে, 'ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু অসম'(৩১ ডিচেম্বৰ, ১৯৬৬), 'অসমৰ ধৰ্মৰ বুৰঞ্জী : আন্ধাৰ আৰু পোহৰ'(২৬/২৭ ছেপ্টেম্বৰ, ১৯৮৭) আৰু Socio - Political Events in Assam Leading to the Militancy of the Mayamariya Vaisnavas (১৯৭৯)। **আগলৈ...**

# ৰাজ্যজুৰি অনলাইন ট্ৰেডিঙৰে

ভট্ট নামৰ এজন যুৱকৰ সৈতে অনলাইন ট্ৰেডিঙৰ নামত ৰাইজৰ পৰা প্ৰায় ৪০০ কোটি টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন হৈছে। ইয়াৰ বাহিৰেও কৰিমগঞ্জত ছাকিব আহমেদ নামৰ এটা প্ৰৱঞ্চকে একে পন্থাৰেই প্ৰায় ৪০০ কোটি, বিশ্বনাথ জিলাৰ চাৰিদুৱাৰত অঞ্জন সুপ্ৰিয়ম দাস নামৰ প্ৰৱঞ্চকটোৱে ২০০ কোটি, ধেমাজিত অনিৰাম বসুমতাৰী আৰু মিথিংগা নাৰ্জাৰীয়ে প্ৰায় তিনি হাজাৰ কোটি, ছয়গাঁৱত ৰে'ল বিভাগৰ ধৰ্মেন্দ্ৰ ৰাভা নামৰ এজন কৰ্মচাৰীয়ে ৫০ কোটি টকা ৰাইজৰ পৰা হৰলুকী কৰাৰ লগতে বঙাইগাঁও জিলাৰ অভয়াপুৰীত আব্দুল হাই নামৰ এটা প্ৰৱঞ্চকে হেজেক্স নামৰ ভুৱা কোম্পানীৰ বেনাৰত প্ৰায় ৪০ কোটি টকা ৰাইজৰ পৰা সংগ্ৰহ কৰি আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন হৈছে। উক্ত ঘটনাসমূহত জড়িত থকা বিশাল ফুকন, চুমি বৰা, তাৰ্কিক বৰা, অম্লান বৰা, স্বপ্ননীল দাস, মাইনাও ব্ৰহ্ম, জ্যোতিষ্মান শৰ্মা, সুমিত বৰ্মন, অনিৰাম বসুমতাৰী, মিথিংগা নাৰ্জাৰী, অঞ্জন সুপ্ৰিয়ম দাস, সৰোজ ডেকা আৰু আব্দুল হাইকে ধৰি মুঠ ১৩জন মূল অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে যদিও বৰ্তমানলৈকে ৭ হাজাৰ কোটি টকা আত্মসাতৰ অভিযোগত অভিযুক্ত দীপাংকৰ বৰ্মনৰ উপৰিও কৰিমগঞ্জৰ ছাকিব আহমেদ, টিহুৰ দীপাংকৰ ভট্ট আৰু ছয়গাঁৱৰ ধৰ্মেন্দ্ৰ ৰাভা নামৰ প্ৰৱঞ্চককেইটাক আৰক্ষীয়ে কৰায়ত্ত কৰিব পৰা নাই। মন কৰিবলগীয়া কথা যে ভুৱা অনলাইন ট্ৰেডিঙৰ এই কেলেংকাৰিত সাধাৰণ লোক, অভিনেত্ৰীৰ লগতে আৰক্ষীৰ কৰ্মচাৰীও জড়িত হৈ পৰিছে। বিশেষকৈ ডিব্ৰুগড়ত অনলাইন ট্ৰেডিঙৰ নামত বিশাল ফুকন আৰু চুমি বৰাই বহুসংখ্যক চিকিৎসক, ব্যৱসায়ী, অভিনেতা তথা ছবিজগতৰ বহু কলা-কুশলীৰ পৰাও কোটি কোটি টকা আত্মসাৎ কৰাৰ অভিযোগ সৰ্বত্ৰ। আৰক্ষীৰ বিশেষ সূত্ৰই সদৰী কৰা মতে, অনলাইন ট্ৰেডিং প্ৰৱঞ্চক চক্ৰটোৱে একেদিনাই ইমানখিনি ধন আত্মসাৎ কৰিব পৰা নাছিল। প্ৰথম অৱস্থাত প্ৰতিশ্ৰুতি দিয়া মতেই এগুণ ধন দুগুণ কৰি ৰাইজক পৰিশোধ কৰিছিল। তাৰ পিছত লাহে লাহে ৰাইজৰ বিশ্বাস চক্ৰটোৰ প্ৰতি গাঢ় হোৱাৰ সময়তে তেওঁলোকে নিজৰ জালখন অধিক সক্ৰিয়তাৰে প্ৰসাৰিত কৰিছিল। সূত্ৰটোৱে সদৰী কৰা মতে, এই বৃহৎ প্ৰৱঞ্চনাত সাধাৰণ ৰাইজতো বাদেই, বহু ধনী, সম্ভ্ৰান্ত লোকেও ছলাহী কথাত ভোল গৈ লাখে লাখে টকা বিনিয়োগ কৰিছিল। অসম আৰক্ষীয়ে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি ৰাজ্যৰ বিভিন্ন থানাত ৩২টা গোচৰ ইতিমধ্যে ৰুজু কৰিছে। ৬২জনক বৰ্তমানলৈকে ট্ৰেডিং কেলেংকাৰি সন্দৰ্ভত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। শেহতীয়াকৈ ৰাজ্য চৰকাৰৰ কেবিনেটে উক্ত গোচৰসমূহৰ সঠিক তদন্তৰ বাবে চিবিআইলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আৰক্ষী সূত্ৰটোৰ মতে, অকল এইকেইটা গোচৰেই নহয়, আন বহু ঠাইত অনলাইন ট্ৰেডিঙৰ নামত ৰাইজক প্ৰৱঞ্চনা কৰাৰ কৌশল চলি থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। পৰৱৰ্তী তদন্তসমূহত উক্ত চক্ৰসমূহো উৎখাত হ'ব বুলি অসম আৰক্ষীয়ে আশা প্ৰকাশ কৰিছে।

# ডিব্ৰুগড়তে লুকাই থাকি

তেনেহ'লে কাৰ বাবে ভয় আছিল? আপুনি যদি সচাঁই সত্য আৰু আপুনি কোনোধৰণৰ অসাংবিধানিক কাম কৰা নাই তেনেহ'লে ৰাইজক দোষাৰোপ কৰিব লগীয়া হ'ল কিয় বুলিও প্ৰশ্ন কৰা হৈছিল। ১১দিনৰ আগতে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ নকৰাৰ কাৰণ কি আছিল?এই ধৰণৰ বহুপ্ৰশ্ন ৰাইজৰ। ইফালে জে'লত থকা বিশাল ফুকনৰ হেজাৰ কোটিটকীয়া ট্ৰেডিং কেলেংকাৰীৰ লগত নাম সাঙোৰ খাই পৰা আৰু বিশালৰ পাতি লোৱা বায়েক চুমিৰ লগতে চুমিৰ স্বামী তাৰ্কিকে কেনেদৰে, কাৰ আশীৰ্বাদত ৰাজ আতিথ্য পালে সেয়া নিৰপেক্ষ তদন্ত হ'লেহে সকলো তথ্য পোহৰলৈ আহিব ? সংবাদ মাধ্যমৰ সৈতে হোৱা সাক্ষাৎকাৰত ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক ৰাকেশ ৰেড্ডীয়ে কয় যে আজি পুৱা প্ৰায় ৯ বজাত ছুমি বৰা আৰু টাৰ্কিক বৰাক ডিব্ৰুগড় আৰক্ষীক গতাই দিয়া হৈছে। এই যুটিটোৱে আত্মসমৰ্পণ কৰিছিল নে গ্ৰেপ্তাৰ কৰিছিল সেই বিষয়ে তেওঁ আৰু কোনো সবিশেষ উত্তৰ দিবলৈ অস্বীকাৰ কৰে। ডিব্ৰুগড় পি এছ কেছ নং- ৩৫২/ ২০২৪ ইউ/এছ ৩১৬ (২) /৩১৮ (৪) বি এন এছ ২০২৩ আৰ/ডব্লিউ অংশ-২১(১)/২১(২)/২১(৩) / ২৩ অংশ নিয়ন্ত্ৰণহীন জমা আঁচনি আইন-২০১৯ নিষিদ্ধ কৰা আদি ধাৰাৰে অভিযুক্ত কৰে। ডিব্ৰুগড় আৰক্ষীয়ে চুমি-তাৰ্কিকে'ক ৭ দিনৰ বাবে আৰক্ষীৰ জিম্মাত বিচাৰিছিল যদিও কিন্তু মহামান্য আদালতে পাঁচদিনৰ আৰক্ষীৰ জিম্মাতহে দিয়ে।

# মঙ্গলদৈ মিডিয়া চাৰ্কোলৰ

জনায়। মঙলদৈ মিডিয়া চাৰ্কোলৰ সভাপতি ভাৰ্গৱ কুমাৰ দাসে সঞ্চালনা কৰা এই সভাত সাংসদ দিলীপ শইকীয়াই ভাষা জ্ঞান নথকা, ভৌগোলিক জ্ঞান নথকা, ভালকৈ বাক্য এটা লিখিব নজনা সকলেও বৰ্তমান মোবাইল এটা লৈ সাংবাদিক হৈ পৰাটো সমাজৰ বাবেই দুৰ্ভাগ্যজনক বুলি কয়। সাংবাদিক ক্ষেত্ৰখনলৈ অহাৰ আগতে অলপ অধ্যয়ন কৰিবলৈ তেওঁ নৱপ্ৰজন্মক আহ্বান জনায়। তেওঁ লগতে মঙলদৈ মিডিয়া চাৰ্কোলৰ গৃহ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ধন আগবঢ়াব বুলি কয়। মঙলদৈৰ ৰাইজৰ মাজত থাকি ৰাইজৰ হকে কাম কৰি যোৱাৰ অঙ্গীকাৰ কৰি তেওঁ কয়, ২০২৫ চনৰ ভিতৰত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ মিচন চাৰিআলিলৈ ১৩২ কিলোমিটাৰ পথ চাৰিশৰীয়াৰ কাম আৰম্ভ হ'ব। অহা বছৰত মঙলদৈত মেডিকেল কলেজ নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি উল্লেখ কৰি তেওঁ পথৰুঘাট ৰণৰ স্মৃতি বিজড়িত এটা পোষ্টেল ষ্টাম্প বনোৱাৰ কাম চলিছে বুলি কয়। তেওঁ লগতে কয়, 'যেতিয়া ভাল সাংবাদিক থাকিব, তেতিয়া সমাজ খন ভালদৰে পৰিচালিত হ'ব। ভাল সাংবাদিক আৰু সমাজ এটা আনটোৰ পৰিপূৰক। ভাল সাংবাদিকতাই সমাজত ইতিবাচক বাৰ্তা কঢ়িয়াই আনে।' এই সভাত মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিচিত্ৰ কুমাৰ মেধি, অৱসৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ জয়কান্ত চহৰীয়া, ডাঃ নিৰ্মল কুমাৰ বেৰীয়া, ৰাজ্যিক মহিলা আয়োগৰ উপাধ্যক্ষ নীলিমা দেৱী, খাৰুপেটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বুদ্ধিন চন্দ্ৰ হাজৰিকা, বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া ৰমণীমোহন শৰ্মা, জ্যেষ্ঠ নাগৰিক অৰুণ বৰুৱা, জ্যেষ্ঠ সাংবাদিক শংকৰ কাকতি, দৰং জিলা মহিলা সমিতিৰ সভাপতি বিনু নাৰায়ণ দেৱ, ৰাজশ্ৰী মিশ্ৰ, মিৰণ দেৱী, আনোৱাৰ হুছেইনকে ধৰি শতাধিক লোক উপস্থিত থাকে।

# সোণাপুৰত আল্লা হু

বেদখলমুক্ত কৰা হয়। উচ্ছেদিতসকলক সেই স্থান খালী কৰি দিবলৈ কোৱা হৈছিল। কিন্তু উচ্ছেদিতসকলে সেই ঠাই ত্যাগ নকৰি তাতেই বাহৰ পাতি আছিল। এই বিষয়টোৱে চিন্তিত কৰিছিল প্ৰশাসনক। সেয়েহে চক্ৰ বিষয়াৰ লগতে আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এটি দল কচুতলীত উপস্থিত হয়। কিন্তু তৃতীয় পক্ষৰ উচটনিত উচ্ছেদিতই আৰক্ষীক আক্ৰমণৰ লক্ষ্য কৰি জোং, লাঠীৰে আক্ৰমণ কৰে প্ৰশাসনৰ লোকক। একপ্ৰকাৰ যুদ্ধংদেহী পৰিৱেশৰ সৃষ্টি হয় অঞ্চলটোত। আৰক্ষীয়ে মাইকযোগে পৰিৱেশ বিনষ্ট নকৰিবলৈ কয় যদিও উত্তেজিত হৈ পৰে উচ্ছেদিতসকল। পৰিস্থিতি অতি ভয়ংকৰ হৈ পৰাত আৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হয়। আৰক্ষীয়ে জনোৱা অনুসৰি ২৪জন আৰক্ষী আহত আৰু ১৩জন উচ্ছেদকাৰী আহত হৈছিল যদিও ইয়াৰে দুজনৰ মৃত্যু হয়।

# অহা ১৯ ছেপ্টেম্বৰত

অৰুণোদয় ৩.০ আৰু ৰেচন কাৰ্ড প্ৰদান সম্পৰ্কত ভিডিঅ' কনফাৰেঞ্চিঙৰ জৰিয়তে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে অহা ১৯ ছেপ্টেম্বৰত সমগ্ৰ অসমতে অৰুণোদয় ৩.০ আৰু নতুনকৈ ১৭ লাখ লোকক ৰেচন কাৰ্ড প্ৰদান আঁচনিৰ শুভাৰম্ভ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি এই বিষয়ে মন্ত্ৰী-সাংসদ-বিধায়ক তথা জিলা আয়ুক্তসকলক গঠনমূলক সু-পৰামৰ্শ আগবঢ়োৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বৰ বিধানসভা সমষ্টিসমূহৰ বিপৰীতে বিগত সংসদীয় নিৰ্বাচনৰ পিছৰে পৰা উন্নয়নমূলক আঁচনিৰ কাম-কাজসমূহ নতুনকৈ গঠন হোৱা বিধানসভা সমষ্টিৰ এলেকাকেন্দ্ৰিক কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। যিহেতুকে সমষ্টিহে পৰিৱৰ্তন হৈছে, কিন্তু বিধায়কজন পৰিৱৰ্তন হোৱা নাই। সেয়ে এগৰাকী বিধায়কৰ কাম-কাজ দুটা বা ততোধিক বিধানসভা সমষ্টিৰ গণ্ডীৰ ভিতৰলৈ সম্প্ৰসাৰিত হ'ব। অৰুণোদয় আঁচনিখন আধাৰৰ লগত সংলগ্ন কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব আৰু ৰেচন কাৰ্ড থকা ব্যক্তিসকলকহে অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব। পূৰ্বতে গাঁও পঞ্চায়ত এলেকাসমূহলৈ বিতৰণ কৰা এই আঁচনি বৰ্তমান ভোটকেন্দ্ৰ এলেকাসমূহলৈ সম্প্ৰসাৰণ কৰা হ'ব। ৰেচন কাৰ্ডৰ বাবে পৰিয়ালৰ বাৰ্ষিক আয়ৰ সীমা চাৰি লাখ টকা আৰু অৰুণোদয়ত অন্তৰ্ভুক্তিৰ বাবে বাৰ্ষিক আয়ৰ সীমা ২ লাখ টকা নিৰ্ধাৰণ কৰাৰ কথা উনুকিয়াই মুখ্যমন্ত্ৰীয়ে। এই বৈঠকতে মুখ্যমন্ত্ৰীগৰাকীয়ে হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত সমবিতৰণত গুৰুত্ব প্ৰদান কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনায়। জিলা আয়ুক্তসকলৰ অধ্যক্ষতাত গঠন হ'বলগীয়া জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠনৰ ক্ষেত্ৰত অভিভাৱক মন্ত্ৰীসকলক যাৱতীয় পৰামৰ্শ আগবঢ়াবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। জনসাধাৰণক আঁচনি দুখন সন্দৰ্ভত অৱগত কৰোৱাৰ বাবে স্থানীয় ভাষাত প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে বৈঠকখনত উল্লেখ কৰে।

# জুবলী ফাউণ্ডেচনৰ

অংগদানৰ জীৱন ৰক্ষাকাৰী সুবিধাসমূহৰ ওপৰত আলোকপাত কৰা, সাধাৰণ মীথসমূহ দূৰ কৰা আৰু দান প্ৰক্ৰিয়াৰ বিষয়ে প্ৰয়োজনীয় তথ্য প্ৰদান কৰা হয়। কৰ্মশালাত প্ৰশ্নোত্তৰ শিতানত প্ৰশিক্ষাৰ্থীসকলৰ প্ৰশ্নৰ উত্তৰ দিয়া হয়। এই অনুষ্ঠানসমূহে স্থানীয় সম্প্ৰদায়সমূহৰ ভিতৰত অংগদানৰ জটিল সুবিধা আৰু গুৰুত্বৰ ওপৰত অৰ্থপূৰ্ণ আলোচনাৰ সুবিধা প্ৰদান কৰিছিল। এই শৈক্ষিক কৰ্মশালাসমূহৰ সফল নিষ্পাদনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা মণিপুৰৰ সমন্বয়কসকলৰ অটল নিষ্ঠা আৰু সহায়ৰ বাবে জুবলী ফাউণ্ডেচনে কৃতজ্ঞতা জ্ঞাপন কৰিছে। প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰি এই গুৰুত্বপূৰ্ণ অধিবেশনসমূহৰ মসৃণ প্ৰদান নিশ্চিত কৰাত তেওঁলোকৰ প্ৰচেষ্টাই উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।

# ENGLISH NEWS SECTION

## Governor Shri Acharya releases a book titled 'Teachings of Srimanta Sankardev'



Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya unveiled a book 'Teachings of Srimanta Sankardev' at the conference hall of Raj Bhavan. It may be noted that Sabhram Foundation took the lead in publication of the book. Speaking on the occasion the Governor said that Srimanta Sankardev occupies a revered place in the socio-cultural and spiritual fabric of Assam. The launch of the book at Raj Bhavan helped the institution to associate itself with the life and philosophy of Srimanta Sankardeva. He expressed hope that the book would reach every corner, enlightening the world about the timeless wisdom of 'Gurujona'. The Governor highlighted the significant impact of Srimanta Sankardev on Assam's socio-cultural landscape. He emphasized that the book unveiled today should be translated into multiple languages to ensure that Srimanta Sankardev's ideals gain more global recognition.

## Indian men's team registers hat-trick of wins in Chess Olympiad



RB News- Indian men's team has reached the fourth round of 45th Chess Olympiad by registering hat-trick of wins. D Gukesh and R Praggnanandhaa won their matches against Hungary's B team's Adam Kozak and Tamas Banusz respectively. Erigaisi played attacking game against Peter Prohazska and ended with a checkmate after a queen sacrifice. Vidit Gujrathi played out a draw against Papp Gabor.

## Morne Morkel joins Team India as bowling coach in Chennai



RB News-Morne Morkel joined Team India as bowling coach on September 13, ahead of the Bangladesh Test series starting September 19 in Chennai. Appointed in August, Morkel replaces Paras Mhambrey and reunites with Gautam Gambhir, with whom he previously worked at Lucknow Super Giants.

## India defeat Pak 2-1 in Asian Champions Trophy hockey



RB News-India defeated Pakistan 2-1 in their last pool match in men's Asian Champions Trophy hockey 2024 being held in China's Hulunbuir. With the win, India have extended their unbeaten streak against Pakistan to 17 matches. India have won all their five pool matches at the ongoing Champions Trophy. India's semi-final will take place on September 16.

## PM Modi meets Paris Paralympic players at his residence in Delhi



RB News- Prime Minister Narendra Modi on Thursday met and congratulated India's Paralympic team at his residence for their remarkable performance at the Paris Games. India finished 18th in the medal tally with seven gold, nine silver and 13 bronze to their name for a record total of 29 medals. Union Sports Minister Mansukh Mandaviya and Paralympic Committee of India (PCI) president Devendra Jhajharia were also present during the meeting.

## Shri Narayan Chandra Borkataky joins as Vice-Chairman of SITA

Guwahati, RB News- Shri Narayan Chandra Borkataky, Former Member of Parliament joins as Vice-Chairman of the office of State Innovation & Transformation Aayog (SITA), Assam on September 11, 2024 at Janata Bhawan, Dispur. The Government of Assam has appointed him as the Co-Vice-Chairman of State Innovation & Transformation Aayog (SITA), Assam in the rank of Cabinet Minister vide Government of Assam notification dated No.PDS/E-551063/835775 dated 09-09-2024. On his joining the office, Hon'ble Chairman interacted with Co-Vice Chairman Shri Dhruba Prasad Baishya and Chief Executive Officer of SITA Shri M.S. Manivannan, IAS and discussed various responsibilities and the expectations to act on certain deliverables for the overall benefit of the state through good governance initiatives in the form of innovative ideas and policies that might help in transforming the service delivery mechanism in the most desired lines. The State Innovation and Transformation Aayog, Assam is the state version of the Centre's policy think-tank NITI Aayog. He also interacted with the officials and staff of SITA and expresses his vision to take forward the role of SITA in a more innovative and in a technological methodology and to highlight the socio-economic aspects of the state.



# কবৰত এপাহ গোলাপ

মুন শৰ্মা, লখিমপুৰ

বৰষুণ জাক কমি আহিছে হয়, কিন্তু সম্পূৰ্ণ বন্ধ হোৱা নাম লোৱা নাই। কিছু সময় আগত বৰষুণ জাক যদিও বহুত বেছি আছিল মানুহৰ সমাগম কম হোৱা নাছিল। সকলোৰে মুখত অনবৰতে কথা ঘুৰিছিল, ছোৱালী জনী বিষয়ে।

মাত্ৰ এটা চুকত নিচুপ হৈ বহি আছিল অবিনাশ। জীৱন ৰ বহু বসন্ত অজস্ৰ সুখ বাকী আছিল তাৰ লগতে অসংখ্য কাহিনী বাকী আছিল কিন্তু নিয়তিৰ পৰিহাস সি আজি নিসংগ হৈ পৰিল। মাজনিশা দুৰ্ঘটনাই এমিনিটৰ ভিতৰত ভাগি যোৱা সুখ বোৰ মৰম বোৰ হাঁহি বোৰ বিচাৰি নোপোৱা বেদনাত সি হাহাকাৰ কৰি ফুৰিছে। কোনো দিন নাহে বুলি বুজি পোৱা তাৰ মনে মাত্ৰ নিগৰি যাব দিছে টপত চকুলো বোৰ। এতিয়া বৰষুণ একে বাৰে শেষ লাইন পাতি পাতি মানুহ বোৰ আহিছে তাৰ কাষলৈ তাৰ মূৰত হাত থৈ সান্তনা দি দি আঁতৰি গৈছে শেষত দুপৰীয়া টোৰ এই কবৰ স্থানত অকল মাত্ৰ সি হে থাকিল। কি কৰিব ক'ত যাব তাৰ সুখৰ কাৰেং যে কিছু পৰ আগতে সুখ বোৰ উৰি গুচি গল, ভালপোৱা বোৰ বিৰহ লৈ ৰূপান্তৰ হৈ উৰি আছে গোটেই ভিতৰ খনত তাত সি কিবা শান্তি পাব। ভাবনা গধূৰ মন ভাবনা হেচাত তাৰ অজানিতে কণ্ঠত অৰ্তনাদ ভাঁহি আহিল যেন ইমান সময় তাৰ মনত বেদনাই পাৰ ভাগি পলয় নমাব। তাৰ অৰ্তানাদ শুনি আগুৱাই আহিছিল তাৰ বন্ধু ৰাহুল।

অবিনাশ, অবিনাশ বহু বাৰ মতা পাছতো তাৰ কোনো উত্তৰ অহা নাছিল মাত্ৰ অবিনাশে কান্দিছিল তাৰ সাৱটি ধৰিছিল বহু সময় ৰাহুলে বুজাইছিল কিন্তু সি শান্ত হ'ব পৰা নাছিল। হঠাৎ তাৰ চকু পৰিছিল, ৰাহুলৰ হাতত এপাহ গোলাপ। তাৰ হাতৰ পৰা খুজি কৈছিল তাৰ পাছত আগুৱাই গৈছিল তাৰ পত্নী কবৰ



পিনে লাহে কৈ সি ফুল পাহ তাত দি কিছু সময় মৌন হৈ পৰিছিল কাষত ৰাহুল, বৰষুণ জাক আকৌ আহিছিল কিছু সময় পিছত ৰাহুল ক সি সাৱটি ধৰিছিল তাক বিদায় দি ব্যস্ত পথ টোত সি হেৰাই গ'ল, আৰু কোনো দিন এই চহৰৰ ব্যস্ত পথত তাক দেখা নগ'ল কেতিয়াও কাৰণ চিনাকি চহৰ এৰি কত গ'ল কেনি গ'ল কোনেও খবৰ নাপালে কোনো দিন।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286